অধ্যায় ১৩ : প্রাক্-অৰুনোদই আৰু অৰুনোদই কালৰ গদ্য

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ অৰুণোদই কালৰ গদ্যৰ সাধাৰণ পৰিচয়
১৩.৩.১ প্রাক্-অৰুনোদই কালৰ গদ্য
১৩.৩.২ অৰুনোদই কালৰ গদ্য
১৩.৪ অৰুণোদই কালৰ গদ্যৰ বৈশিষ্ট্য
১৩.৪.১ প্রাক্-অৰুনোদই কালৰ গদ্যৰ বৈশিষ্ট্য
১৩.৪.২ অৰুনোদই কালৰ গদ্যৰ বৈশিষ্ট্য
১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৬ অধিক জানিবলৈ
১৩.৭ অগ্রগতিৰ খতিয়ান
১৩.৮ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অৰুণোদই যুগৰ গদ্যৰ উদ্ভৱ আৰু বিকাশ সম্বন্ধে জানিব পাৰিব।
- অৰুণোদই যুগৰ সামাজিক, ঐতিহাসিক আৰু সাহিত্যিক পটভূমি বুজিব পাৰিব।
- অসমীয়া ভাষাৰ পুনৰুজ্জীৱনত মিছনেৰীসকল আৰু শিক্ষিত অসমীয়াসকলৰ অৱদান সম্বন্ধে জ্ঞান লাভ কৰিব পাৰিব।
- প্রাক্-অৰুণোদই যুগৰ গদ্যচর্চা আৰু গদ্যলেখকসকলৰ বিষয়ে জানিব পাৰিব।
- অৰুণোদই আলোচনীৰ ভূমিকা আৰু গুৰুত্ব উপলব্ধি কৰিব পাৰিব।
- অৰুণোদই যুগৰ গদ্যৰ ভাষাগত আৰু সাহিত্যিক বৈশিষ্ট্যসমূহ বুজিব পাৰিব।
- আধুনিক অসমীয়া গদ্যৰ বিকাশত আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্র বৰুৱাৰ অৱদান সম্বন্ধে ধাৰণা লাভ কৰিব পাৰিব।

১৩.২ পৰিচয়

পূর্বৰ অধ্যায়ত আমি *হস্তিবিদ্যার্ণৱ* জৰিয়তে মধ্যযুগীয় অসমৰ ব্যৱহাৰিক সাহিত্যৰ এক উল্লেখযোগ্য নিদর্শনৰ বিষয়ে অধ্যয়ন কৰিছিলোঁ। সেই অধ্যায়ত গ্রন্থখনৰ ৰচয়িতা সুকুমাৰ বৰকাঠ, ইয়াৰ বিষয়বস্তু, পুথিচিত্রৰ বৈশিষ্ট্য, হাতীৰ শ্রেণীবিভাগ, পোহ-পালন, চিকিৎসা আৰু ব্যৱহাৰৰ বিষয়ে

জানিবলৈ সক্ষম হৈছিলোঁ। লগতে মধ্যযুগীয় অসমৰ বৈজ্ঞানিক জ্ঞান, শিল্পচেতনা আৰু অসমীয়া গদ্য সাহিত্যৰ বিকাশত *হস্তিবিদ্যার্ণৱ* গুৰুত্বপূর্ণ অৱদানৰ বিষয়েও সম্যক ধাৰণা লাভ কৰিছিলোঁ।

এই অধ্যায়ত আমি অসমৰ মধ্যযুগীয় সাহিত্যৰ এক মূল্যৱান সম্পদ বুৰঞ্জী সাহিত্যৰ বিষয়ে অধ্যয়ন কৰিম। ইয়াৰ জৰিয়তে বুৰঞ্জী সাহিত্যৰ উৎপত্তি, বিকাশ আৰু গুৰুত্বৰ বিষয়ে জানিব পাৰিম। লগতে অসমৰ ইতিহাস সংৰক্ষণত আহোমসকলৰ অৱদান, বুৰঞ্জী শব্দৰ অর্থ আৰু উৎপত্তি, ৰাজকীয় আৰু ব্যক্তিগত বুৰঞ্জীৰ বৈশিষ্ট্য, বুৰঞ্জী সাহিত্যৰ ঐতিহাসিক, সামাজিক আৰু সাহিত্যিক মূল্য আদি বিষয়ৰ ওপৰত জ্ঞান লাভ কৰিব পাৰিম। এই অধ্যয়নৰ জৰিয়তে বুৰঞ্জীৰ গদ্যশৈলীৰ বিশেষত্ব বুজি পোৱাৰ লগতে অসমীয়া গদ্য সাহিত্যৰ বিকাশত ইয়াৰ অৱদান আৰু মধ্যযুগীয় অসমৰ সমাজ, সংস্কৃতি আৰু ৰাজনৈতিক জীৱনৰ বিভিন্ন দিশৰ বিষয়েও সম্যক ধাৰণা লাভ কৰিব পাৰিম।

১৩.৩ অৰুনোদই কালৰ গদ্যৰ সাধাৰণ পৰিচয়

অৰুণোদই প্রকাশ পোৱাৰ পূর্বলৈকে, অর্থাৎ ঊনবিংশ শতিকাৰ প্রথমার্ধত অসমীয়া গদ্য সাহিত্যৰ বিকাশ একে ধৰণে হোৱা নাছিল। সেই সময়ছোৱাত অসমীয়া গদ্য বিভিন্ন ধাৰা আৰু প্রভাৱৰ মাজেৰে বিকশিত হৈছিল। ভাষাৰ ব্যৱহাৰ, বাক্য গঠন, শব্দচয়ন আৰু প্রকাশভংগীৰ ভিন্নতাৰ ভিত্তিত সেই সময়ৰ অসমীয়া গদ্যক সাধাৰণতে পাঁচটা মুখ্য ধাৰাত বিভক্ত কৰা হয়। এই ধাৰাসমূহে অসমীয়া গদ্যৰ ক্রমবিকাশৰ ইতিহাস বুজিবলৈ বিশেষ সহায় কৰে।

প্রথমতে, আচহুৱা ভঙ্গীৰ ভাঙনি গদ্যৰ কথা উল্লেখ কৰিব পাৰি। এই ধৰণৰ গদ্যত কথ্য ভাষাৰ প্রভাৱ অধিক দেখা যায় আৰু ইয়াত পৰম্পৰাগত আচহুৱা বা কথোপকথনধর্মী ভংগীৰ কিছু ভাঙনি ঘটিছিল।

দ্বিতীয়তে, বাংলা-অসমীয়া মিশ্রিত গদ্য ধাৰা। এই ধাৰাত অসমীয়া আৰু বাংলা ভাষাৰ শব্দ, বাক্যগঠন আৰু প্রকাশভংগীৰ সংমিশ্রণ লক্ষ্য কৰা যায়। সমসাময়িক সামাজিক আৰু সাংস্কৃতিক যোগাযোগৰ ফলত এই ধৰণৰ গদ্যৰ সৃষ্টি হৈছিল।

তৃতীয়তে, বঙলুৱা প্রভাৱিত গদ্য। এই গদ্যত বাংলা ভাষাৰ প্রভাৱ অধিক শক্তিশালী আছিল। শব্দচয়ন, বাক্যৰীতি আৰু ভাষাশৈলীত বাংলা গদ্যৰ প্রভাৱ স্পষ্টভাৱে পৰিলক্ষিত হৈছিল।

চতুর্থতে, মধ্যযুগৰ বুৰঞ্জীৰ পৰম্পৰাগত গদ্য। এই ধাৰাই মধ্যযুগীয় বুৰঞ্জী সাহিত্যৰ গদ্য পৰম্পৰাক আগবঢ়াই নিছিল। ইয়াৰ ভাষা আছিল সৰল, তথ্যনিষ্ঠ আৰু ঘটনাভিত্তিক।

পঞ্চমতে, অৰুণোদই তথা মিছনেৰী গদ্য। খ্রীষ্টান মিছনেৰীসকলৰ প্রচেষ্টাত গঢ় লৈ উঠা এই গদ্যধাৰাই আধুনিক অসমীয়া গদ্যৰ বিকাশত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। অৰুণোদই আলোচনীৰ জৰিয়তে এই গদ্য অধিক সুসংগঠিত, পৰিশীলিত আৰু আধুনিক ৰূপ লাভ কৰিছিল।

এইদৰে ঊনবিংশ শতিকাৰ প্রথমার্ধত অসমীয়া গদ্যৰ বিকাশ বিভিন্ন ধাৰাৰ সমন্বয়ত সংঘটিত হৈছিল আৰু এই ধাৰাসমূহেই পৰৱর্তী কালত আধুনিক অসমীয়া গদ্য সাহিত্যৰ ভেটি সুদৃঢ় কৰি তুলিছিল। অসমীয়া সাহিত্যৰ ইতিহাসত অৰুণোদই যুগ এক বিশেষ গুৰুত্বপূর্ণ যুগ। এই সময়ছোৱাতেই অসমীয়া সাহিত্যই মধ্যযুগীয় ধাৰাৰ পৰা ওলাই আধুনিকতাৰ দিশে আগবাঢ়িবলৈ আৰম্ভ কৰে। সেয়ে

এই যুগক অসমীয়া সাহিত্যৰ ৰূপান্তৰণৰ যুগ বুলিও কোৱা হয়। সাহিত্য, ভাষা আৰু সমাজজীৱনৰ বহু ক্ষেত্ৰত নতুন চিন্তা-চেতনা, নতুন ধাৰণা আৰু আধুনিক মনোভাৱৰ প্ৰৱেশ ঘটিছিল।

বৃটিছসকলৰ আগমনৰ পূৰ্বৱৰ্তী কেইটামান দশক অসমৰ ইতিহাসৰ এক অশান্ত আৰু সংকটময় সময় আছিল। ১৭৬৯ চনৰ পৰা ১৮০৬ চনলৈ আহোম শাসক আৰু ডা-ডাঙৰীয়াসকলৰ অত্যাচাৰ, অবিচাৰ আৰু শোষণৰ বিৰুদ্ধে বিভিন্ন ঠাইত বিদ্ৰোহৰ সূচনা হয়। এই বিদ্ৰোহসমূহ ইতিহাসত 'মোৱামৰীয়া বিদ্ৰোহ' নামে পৰিচিত। ইয়াৰ পিছত ১৮১৭ চনৰ পৰা ১৮২৬ চনলৈকে হোৱা মান সেনাৰ তিনিটা আক্ৰমণে অসমৰ ৰাজনৈতিক, সামাজিক আৰু সাংস্কৃতিক জীৱনক গভীৰভাৱে ক্ষতিগ্ৰস্ত কৰে। দেশৰ অৰ্থনীতি বিপৰ্যস্ত হয়, ভাষা-সাহিত্যৰ চৰ্চা স্তব্ধপ্ৰায় হৈ পৰে আৰু সাধাৰণ জনসাধাৰণৰ জীৱন দুৰ্বিষহ হৈ উঠে।

এই সংকটময় পৰিস্থিতিৰ পৰা পৰিত্ৰাণ লাভৰ আশাত আহোম ৰজা গৌৰীনাথ সিংহই বৃটিছসকলৰ সহায় বিচাৰে। ফলস্বৰূপে ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত ইয়াণ্ডাবু সন্ধি স্বাক্ষৰিত হয়। এই সন্ধিৰ জৰিয়তে অসম মানৰ অত্যাচাৰৰ পৰা মুক্তি লাভ কৰে যদিও বৃটিছসকলে অসম ত্যাগ নকৰি ক্ৰমে নিজৰ শাসন ব্যৱস্থা প্ৰতিষ্ঠা কৰে। ইয়াৰ ফলত অসম বৃটিছ ঔপনিৱেশিক শাসনৰ অধীনলৈ আহে আৰু অসমীয়া জাতিয়ে স্বাধীন মৰ্যাদা হেৰুৱায়।

বৃটিছ শাসনৰ আৰম্ভণিৰ সময়ত অসমক বংগ প্ৰেচিডেন্সিৰ অন্তৰ্গত কৰি ৰখা হৈছিল। ১৮৭৪ চনত অসমে পৃথক প্ৰদেশৰ মৰ্যাদা লাভ নকৰালৈকে প্ৰশাসনিক কাম-কাজৰ অধিকাংশই কলিকতাৰ পৰা পৰিচালিত হৈছিল। প্ৰশাসনিক সুবিধাৰ কথা চিন্তা কৰি বৃটিছ চৰকাৰে ১৮৩৬ চনৰ পৰা অসমৰ কাৰ্যালয় আৰু বিদ্যালয়সমূহত বাংলা ভাষা প্ৰৱৰ্তন কৰে। ৰেভিনিউ কমিছনাৰ জেনকিন্স আৰু উইলিয়াম ৰবিন্সনৰ উদ্যোগত এই নীতি কাৰ্যকৰী কৰা হৈছিল। ফলত অসমীয়া ভাষা নিজৰ দেশতেই উপেক্ষিত হৈ পৰে।

অন্যহাতে, বৃটিছ শাসনৰ লগে লগে খ্ৰীষ্টিয়ান মিছনেৰীসকল অসমলৈ আহে। তেওঁলোকে উপলব্ধি কৰিছিল যে অসমত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত যোগাযোগৰ মাধ্যম হিচাপে অসমীয়া ভাষাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সেয়েহে স্থানীয় ভাষাৰ সহায় নোলোৱাকৈ ধৰ্মপ্ৰচাৰ সম্ভৱ নহয় বুলি তেওঁলোকে বুজি পাইছিল। এই উপলব্ধিৰ ফলত মিছনেৰীসকলে অসমীয়া ভাষাৰ উন্নতি আৰু পুনৰ প্ৰতিষ্ঠাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰে। তেওঁলোকে অসমীয়াত ধৰ্মীয় আৰু শিক্ষামূলক গ্ৰন্থ প্ৰকাশ কৰাৰ লগতে বিদ্যালয় স্থাপনতো গুৰুত্ব দিয়ে।

মিছনেৰীসকলৰ প্ৰচেষ্টাৰ ফলতেই ১৮৪৬ চনত শিৱসাগৰৰ মিছনেৰী প্ৰেছৰ পৰা প্ৰথম অসমীয়া সংবাদপত্ৰ 'অৰুণোদই' প্ৰকাশ পায়। এই সংবাদপত্ৰই অসমীয়া ভাষা আৰু সাহিত্যৰ ক্ষেত্ৰত এক নতুন যুগৰ সূচনা কৰে। একে সময়তে কলিকতাত অধ্যয়ন কৰি থকা শিক্ষিত অসমীয়া যুৱকসকলেও পাশ্চাত্য শিক্ষা, আধুনিক চিন্তা আৰু নতুন ধাৰণাৰ সৈতে পৰিচিত হয়। তেওঁলোকে উপলব্ধি কৰে যে বিদেশী ভাষা জাপি দিয়াৰ ফলত অসমীয়া জাতিৰ স্বাভাৱিক বিকাশ ব্যাহত হৈছে। এই উপলব্ধিৰ ভিত্তিত তেওঁলোকে অসমীয়া ভাষাৰ পুনঃপ্ৰচলনৰ দাবী তোলে।

পৰৱৰ্তী সময়ত আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱাৰ দৰে ব্যক্তিসকলে অসমীয়া ভাষাৰ অধিকাৰ আৰু মৰ্যাদা পুনৰুদ্ধাৰৰ বাবে উল্লেখযোগ্য ভূমিকা পালন কৰে।

তেওঁলোকৰ লগতে মিছনেৰীসকলৰ একান্ত প্ৰচেষ্টাৰ ফলত বৃটিছ চৰকাৰে নিজৰ ভুল স্বীকাৰ কৰি ১৮৭৩ চনত বিদ্যালয় আৰু কাছাৰীত পুনৰ অসমীয়া ভাষাৰ ব্যৱহাৰ আৰম্ভ কৰে। এই সিদ্ধান্তই অসমীয়া ভাষাক পুনৰ জীৱনদান কৰে।

অসমীয়া ভাষা পুনৰ বিদ্যালয়ত প্ৰচলিত হোৱাৰ পিছত পাঠ্যপুথিৰ অভাৱ দেখা দিয়ে। এই ক্ষেত্ৰতো মিছনেৰীসকলেই আগবাঢ়ি আহে। তেওঁলোকে 'বাৰেমতৰা', 'প্ৰথম কিতাপ', 'সাধুকথা', 'প্ৰথম গণনা', 'দ্বিতীয় গণনা' আদি গ্ৰন্থ প্ৰস্তুত কৰি শিক্ষাৰ ক্ষেত্ৰত বিশেষ অৱদান আগবঢ়ায়। এই গ্ৰন্থসমূহে অসমীয়া ভাষাক শিক্ষাৰ উপযোগী ৰূপত গঢ়ি তুলিবলৈ সহায় কৰে।

'অৰুণোদই' সংবাদপত্ৰই বহুদিন ধৰি স্তব্ধ হৈ থকা অসমীয়া সাহিত্যচৰ্চাক পুনৰ সজীৱ কৰি তোলে। ইয়াৰ প্ৰভাৱত পৰৱৰ্তী সময়ত 'আসাম-বিলাসিনী' (১৮৭১), 'আসাম নিউজ' (১৮৮২), 'আসাম বন্ধু' (১৮৮৫) আৰু 'মৌ' (১৮৮৬) আদি আলোচনী প্ৰকাশ পায়। এই আলোচনীসমূহে অসমীয়া সাহিত্য আৰু গদ্যৰ বিকাশত নতুন গতি আনে।

অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠা আৰু সাহিত্যৰ বিকাশৰ উদ্দেশ্যে মিছনেৰীসকল আৰু শিক্ষিত অসমীয়া সমাজে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ ফলতেই আধুনিক অসমীয়া গদ্যৰ জন্ম আৰু বিকাশ সাধন হয়। এই সময়ছোৱাত গদ্যৰ ভাষা, প্ৰকাশভংগী আৰু বিষয়বস্তুৰ ক্ষেত্ৰত নতুনত্বৰ সূচনা হয়, যাৰ ফলত আধুনিক অসমীয়া সাহিত্যৰ ভেটি সুদৃঢ় হয়।

সাহিত্যৰ ইতিহাসত সাধাৰণতে ১৮২৬ চনৰ পৰা ১৮৮৯ চনলৈকে সময়ছোৱাক অৰুণোদই যুগ বুলি কোৱা হয়। ইয়াৰ পিছত ১৮৮৯ চনৰ পৰা ১৯৪০ চনলৈকে সময়ছোৱাক 'জোনাকী' আলোচনীৰ নামেৰে জোনাকী যুগ বুলি অভিহিত কৰা হয়। অৰুণোদই যুগৰ সাহিত্যক মূলতঃ তিনিটা স্তৰত ভাগ কৰি অধ্যয়ন কৰা হয়। এই স্তৰসমূহ হ'ল— ১৮২৬ চনৰ পৰা ১৮৪৬ চনলৈ প্ৰাক্-অৰুণোদই স্তৰ, ১৮৪৬ চনৰ পৰা ১৮৭৩ চনলৈ অসমীয়া ভাষা পুনঃপ্ৰতিষ্ঠাৰ স্তৰ আৰু ১৮৭৩ চনৰ পৰা ১৮৮৯ চনলৈ আধুনিক অসমীয়া ভাষা-সাহিত্য প্ৰতিষ্ঠাৰ স্তৰ।

আধুনিক অসমীয়া গদ্যৰ বিকাশ বুজিবলৈ এই তিনিটা স্তৰৰ গুৰুত্ব অপৰিসীম। কাৰণ এই সময়ছোৱাতেই অসমীয়া গদ্যই ধাপে ধাপে পৰিৱৰ্তন লাভ কৰি আধুনিক ৰূপ গ্ৰহণ কৰিছিল।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ : অৰুণোদই প্ৰকাশ পোৱাৰ পূৰ্বে অসমীয়া গদ্যক সাধাৰণতে কেইটা মুখ্য ধাৰাত বিভক্ত কৰা হৈছিল ?

.....

প্ৰশ্ন নং ২ : মিছনেৰীসকলে অসমীয়া ভাষাৰ উন্নতিৰ বাবে কি কি পদক্ষেপ গ্ৰহণ কৰিছিল ?

.....

প্ৰশ্ন নং ৩ : 'অৰুণোদই' সংবাদপত্ৰই অসমীয়া ভাষা আৰু সাহিত্যৰ ক্ষেত্ৰত কি অৱদান আগবঢ়াইছিল ?

.....

প্ৰশ্ন নং ৪: অৰুণোদই যুগৰ সাহিত্যক কোন তিনিটা স্তৰত ভাগ কৰি অধ্যয়ন কৰা হয়?

.....

১৩.৩.১ প্ৰাক্-অৰুনোদই কালৰ গদ্য

অসমীয়া সাহিত্যৰ ইতিহাসত ১৮২৬ চনৰ পৰা ১৮৪৬ চনলৈকে সময়ছোৱাক প্ৰাক্-অৰুণোদই স্তৰ বুলি কোৱা হয়। বৃটিছসকল অসমলৈ অহাৰ পৰা আৰম্ভ কৰি *অৰুণোদই* আলোচনী প্ৰকাশ পোৱালৈকে এই বিশ বছৰীয়া সময়ছোৱা অসমীয়া সাহিত্যৰ বাবে এক সন্ধিক্ষণস্বৰূপ। এই সময়ছোৱাত সাহিত্যচৰ্চা বিশেষ সক্ৰিয় নাছিল যদিও আধুনিক অসমীয়া গদ্যৰ ভেটি গঢ় লৈ উঠিবলৈ আৰম্ভ কৰিছিল। সেয়েহে এই সময়ক আধুনিক অসমীয়া গদ্যৰ প্ৰস্তুতিপৰ্ব বুলিও ক'ব পাৰি।

ঊনবিংশ শতিকাৰ প্ৰথম তিনিটা দশকত বিশেষ উল্লেখযোগ্য সাহিত্য ৰচনা হোৱা নাছিল। অৱশ্যে ১৮১৩ চনত আত্মাৰাম শৰ্মাই মিছনেৰীসকলৰ সহযোগত ইংৰাজী *নিউ টেষ্টামেণ্ট*ৰ অসমীয়া অনুবাদ সম্পন্ন কৰে। এই অনুবাদ *ধৰ্মপুস্তক* নামেৰে শ্ৰীৰামপুৰ মিছনেৰী প্ৰেছৰ পৰা প্ৰকাশিত হৈছিল। পাছত ১৮৩৩ চনত *ওল্ড টেষ্টামেণ্ট*ৰ অনুবাদো প্ৰকাশ পায়। ইয়াৰ উপৰিও ১৮৩৯ চনত ৰবিন্সনৰ অসমীয়া ব্যাকৰণ, যদুৰাম ডেকাবৰুৱাৰ *অসমীয়া-বঙলা অভিধান*, ১৮৪০ চনত শ্ৰীমতী কট্টাৰৰ *অসমীয়া শব্দাৱলী আৰু খণ্ডবাক্য* আদি ভাষা বিষয়ক গ্ৰন্থ প্ৰকাশ পায়।

এই সময়ছোৱাত কেইবাখনো বুৰঞ্জীমূলক গ্ৰন্থো ৰচিত হৈছিল। ইয়াৰ ভিতৰত বিশ্বেশ্বৰ বৈদ্যাধিপৰ *বেলিমাৰ বুৰঞ্জী* (১৮৩৩), মণিৰাম বৰভাণ্ডাৰ বৰুৱাৰ *বুৰঞ্জী বিবেকৰত্ন* (১৮৩৮), কাশীনাথ তামুলী ফুকনৰ *আসাম বুৰঞ্জী* (১৮৪৪) বিশেষভাৱে উল্লেখযোগ্য। এইদৰে মুষ্টিমেয় দেশী-বিদেশী সাহিত্যিকৰ প্ৰচেষ্টাত অসমীয়া গদ্যই নতুন দিশৰ সন্ধান লাভ কৰিবলৈ আৰম্ভ কৰিছিল।

আত্মাৰাম শৰ্মা

প্ৰাক্-অৰুণোদই যুগৰ অন্যতম পথপ্ৰদৰ্শক গদ্যলেখক আছিল আত্মাৰাম শৰ্মা। উইলিয়াম কেৰীৰ অনুপ্ৰেৰণাত তেওঁ ১৮১৩ চনত ইংৰাজী *নিউ টেষ্টামেণ্ট*ৰ অসমীয়া অনুবাদ কৰিছিল। *ধৰ্মপুস্তক* নামেৰে প্ৰকাশিত এই গ্ৰন্থখনক প্ৰথম অসমীয়া মুদ্ৰিত গ্ৰন্থ হিচাপে গণ্য কৰা হয়। আধুনিক অসমীয়া গদ্যৰ প্ৰথম নিদৰ্শনো এই গ্ৰন্থতেই পোৱা যায়।

আত্মাৰাম শৰ্মাৰ গদ্যত তৎসম আৰু তদ্ভৱ শব্দৰ যথেষ্ট ব্যৱহাৰ দেখা যায়। ভাষা কথিত ৰূপৰ ওচৰ চাপিলেও ইয়াত বুৰঞ্জী আৰু ভট্টদেৱৰ গদ্যৰ প্ৰভাৱ স্পষ্ট। বিশেষকৈ 'পাছে' অব্যয়ৰ সহায়ত বাক্য আৰম্ভ কৰাৰ ৰীতি তেওঁৰ গদ্যত সঘনাই দেখা যায়। উদাহৰণস্বৰূপে—

"এক মানুহৰ দুয় পুতেক আচিল। সৰু পুতেকে আপোনাৰ বাপেকক বুলিলে, হে বোপায় ময় জি ধনৰ ভাগ পাম তাকে মোক দিয়া। ... পাচে সি সেই দেশৰ এক গিৰিহতে সৈতে থাকিল গৈ। পাচে গাহৰি ৰাখিবলৈ তেওঁ তাক পথাৰলৈ পঠিয়ালে।"

তেওঁৰ গদ্যত অসমীয়া কাৰক-বিভক্তিৰ সঠিক প্ৰয়োগ, নঞৰ্থক ৰূপৰ ব্যৱহাৰ আৰু জতুৱা ঠাঁচৰ উপস্থিতি বিশেষভাৱে মন কৰিবলগীয়া। "হেঁচাহেঁচী", "মন কৰ", "কাৰৌকৰি" আদি শব্দই তেওঁৰ ভাষাক অধিক স্বাভাৱিক কৰি তুলিছে।

বাণীকান্ত কাকতিৰ মতে, অসমীয়া ভাষাত বাইবেল প্ৰকাশৰ মাজেৰেই আধুনিক অসমীয়া সাহিত্যৰ যুগৰ সূচনা হয়।

মণিৰাম বৰভাণ্ডাৰ বৰুৱা

প্ৰাক্-অৰুণোদই যুগৰ আন এগৰাকী গুৰুত্বপূৰ্ণ গদ্যলেখক হ'ল মণিৰাম বৰভাণ্ডাৰ বৰুৱা। তেওঁৰ *বুৰঞ্জী বিবেকৰত্ন* (১৮৩৮) গ্ৰন্থখনত অসমীয়া-বঙলা মিশ্ৰিত গদ্যৰ এক বিশেষ ৰূপ দেখা যায়। ইয়াত সংস্কৃত, অসমীয়া আৰু বাংলা ভাষাৰ সমন্বয় লক্ষ্য কৰা যায়।

অসমীয়া-বঙলা মিশ্ৰিত ভাষাৰ উদাহৰণ হিচাপে তেওঁ লিখিছে—

"মান সমুদ্ৰ হৈতে জে এতদ্দেশীকে উদ্ধাৰ কৰেন এই পুন্যেৰ ফলে ইশ্বৰে আকল্পাৱাচ্ছিন্ন অখণ্ডৰাজলক্ষ্মি বদ্ধৰ্মান কৰুন..."

আনহাতে সংস্কৃতঘেঁষা ভাষাৰ নিদৰ্শন হিচাপে—

"অথ বুৰঞ্জি বিবেক ৰত্ন গ্ৰন্থে দ্বিতীয় খণ্ডে কামৰূপীয় ব্ৰাহ্মণাদি নিখিলজাত্যাচাৰ-বিৰেচনং..."

তথাপি গ্ৰন্থখনৰ বহু ঠাইত বিশুদ্ধ অসমীয়া গদ্যৰ নমুনাও পোৱা যায়। উদাহৰণস্বৰূপে—

"পাচে বৰজনা গোহাঞি ভাএক দেৱক চাবলৈ বৰদলে গৈই ওচৰতে বহিলগৈই..."

মণিৰামৰ গদ্য সহজ, পোনপটীয়া আৰু তথ্যনিষ্ঠ। বুৰঞ্জীৰ বিষয়বস্তু হোৱাৰ বাবে ইয়াত বস্তুনিষ্ঠতা আৰু কথিত ভাষাৰ ঠাঁচ দুয়োটাই পৰিলক্ষিত হয়।

কাশীনাথ তামুলী ফুকন

কাশীনাথ তামুলী ফুকন প্ৰাক্-অৰুণোদই যুগৰ অন্যতম উল্লেখযোগ্য গদ্যলেখক। তেওঁৰ *আসাম বুৰঞ্জী পুথি* ১৮৪৪ চনত শিৱসাগৰৰ মিছনেৰী প্ৰেছৰ পৰা প্ৰকাশ পায়। এইখন অসমীয়া ভাষাত প্ৰকাশিত প্ৰথম মুদ্ৰিত বুৰঞ্জী।

তেওঁৰ গদ্যত বুৰঞ্জীৰ পৰম্পৰাগত ধাৰা স্পষ্টভাৱে পৰিলক্ষিত হয়। ভাষাত আহোম শব্দৰ ব্যৱহাৰ যথেষ্ট বেছি। "মাইহাম", "পুথাও", "হেঙ্গদান", "নিচাও" আদি শব্দ ইয়াৰ উদাহৰণ। ইয়াৰ উপৰিও বাংলা, হিন্দী আৰু পাৰ্চী শব্দবো ব্যৱহাৰ দেখা যায়।

তেওঁৰ গদ্যৰ বৰ্ণনা সূক্ষ্ম, স্পষ্ট আৰু তথ্যসমৃদ্ধ। উদাহৰণস্বৰূপে—

"চমুআ ফুকন কেইজনাই ঘৰৰ পৰা অহাত আগত ৰুপৰ চুলাৰে পানিজাপি, টুপিজাপি, খেৰ, পাখি-বিচনি..."

এই বৰ্ণনাত সমসাময়িক ৰাজদৰবাৰৰ আচাৰ-ব্যৱহাৰ আৰু জীৱনশৈলীৰ সুন্দৰ চিত্ৰ অংকিত হৈছে।

হৰকান্ত শৰ্মা মজিন্দাৰ বৰুৱা

অসমীয়া গদ্যৰ ইতিহাসত হৰকান্ত শৰ্মা মজিন্দাৰ বৰুৱাৰ স্থান বিশেষভাৱে উল্লেখযোগ্য। তেওঁৰ *সদৰামীনৰ আত্মজীৱনী* আৰু *আসাম বুৰঞ্জী* অসমীয়া গদ্যৰ বিকাশৰ ক্ষেত্ৰত মূল্যৱান অৱদান। যদিও তেওঁ অৰুণোদই যুগৰ সাহিত্যিক, তথাপি তেওঁৰ গদ্য অৰুণোদই গোষ্ঠীৰ প্ৰভাৱৰ পৰা কিছু পৰিমাণে স্বতন্ত্ৰ।

তেওঁৰ *আত্মজীৱনী* অসমীয়া ভাষাৰ ক্ৰান্তিকালৰ এক উল্লেখযোগ্য দলিল। ইয়াত প্ৰাচীন গদ্যৰীতি আৰু সমসাময়িক কথিত ভাষাৰ এক সুন্দৰ সমন্বয় দেখা যায়। ভাষাত অসমীয়া, বাংলা, আৰবী, হিন্দী আৰু ইংৰাজী শব্দৰ সমান্তৰাল ব্যৱহাৰ লক্ষ্য কৰা যায়। তেওঁৰ গদ্যৰ উদাহৰণ—

"মঞিঃ কাছাৰী আহি সকল বৃতান্ত ৱৌলট সাহেবত ক'লোঁ। কাছাৰী তদপৰ বৰখাস্ত হ'ল। তদপৰ মঞিঃ যাই সকল বিষয় কমিচনৰ সাহেবত কলোঁ।"

আনহাতে প্ৰত্যক্ষ উক্তিৰ ব্যৱহাৰো তেওঁৰ গদ্যৰ এক বিশেষ বৈশিষ্ট্য—

"প্ৰধান সদৰামীনে কলে, 'বপা, তোমাক মিল সাহেবে চালাম দি মাতিছে।'"

তেওঁৰ ভাষা সহজ, স্পষ্ট আৰু তথ্যনিষ্ঠ। বুৰঞ্জীৰ গদ্যৰ দৰে চুটি বাক্য, পোনপটীয়া বৰ্ণনা আৰু কথোপকথনৰ ব্যৱহাৰ তেওঁৰ গদ্যত সঘনাই দেখা যায়।

সামগ্ৰিকভাৱে বিচাৰ কৰিলে দেখা যায় যে প্ৰাক্-অৰুণোদই যুগত আধুনিক অসমীয়া গদ্যৰ পূৰ্ণ বিকাশ নঘটিলেও ইয়াৰ ভেটি সুদৃঢ়ভাৱে স্থাপিত হৈছিল। আত্মাৰাম শৰ্মা, মণিৰাম বৰভাণ্ডাৰ বৰুৱা, কাশীনাথ তামুলী ফুকন আৰু হৰকান্ত শৰ্মা মজিন্দাৰ বৰুৱাৰ দৰে সাহিত্যিকসকলৰ হাতত অসমীয়া গদ্যই নতুন ৰূপ লাভ কৰিবলৈ আৰম্ভ কৰিছিল। যদিও এই গদ্যধাৰাসমূহ পৰৱৰ্তী সময়ত এক সুসংহত সাহিত্যিক ধাৰালৈ পৰিণত নহ'ল, তথাপি আধুনিক অসমীয়া গদ্যৰ বিকাশৰ ক্ষেত্ৰত ইহঁতৰ অৱদান অতি গুৰুত্বপূৰ্ণ।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ : প্ৰাক্-অৰুণোদই যুগক আধুনিক অসমীয়া গদ্যৰ প্ৰস্তুতিপৰ্ব বুলি কিয় কোৱা হয়?

.....

প্ৰশ্ন নং ৬: আত্মাৰাম শৰ্মাৰ 'ধৰ্মপুস্তক' গ্ৰন্থখনৰ সাহিত্যিক গুৰুত্ব কি?

.....

১৩.৩.২ অৰুণোদই কালৰ গদ্য

অসমীয়া সাহিত্যৰ ইতিহাসত *অৰুণোদই*ৰ আবিৰ্ভাৱ এক যুগান্তকাৰী ঘটনা। ১৮৪৬ চনৰ জানুৱাৰী মাহত শিৱসাগৰৰ পৰা মিছনেৰীসকলৰ উদ্যোগত প্ৰকাশিত এই আলোচনীখনেই আধুনিক অসমীয়া গদ্যৰ সুদৃঢ় ভেটি স্থাপন কৰে। যদিও ইয়াৰ মূল উদ্দেশ্য আছিল খ্ৰীষ্টীয় ধৰ্মৰ প্ৰচাৰ, তথাপি এই ক্ষেত্ৰত আলোচনীখন বিশেষ সফলতা লাভ কৰিব নোৱাৰিলে। কিন্তু অসমীয়া ভাষা, সাহিত্য আৰু গদ্যৰ বিকাশত ইয়াৰ অৱদান অসামান্য। *অৰুণোদই*ৰ পাতত প্ৰকাশিত বিভিন্ন প্ৰবন্ধ, অনুবাদ, জীৱনী, ভ্ৰমণকাহিনী আৰু শিক্ষামূলক ৰচনাৰ জৰিয়তে অসমীয়া গদ্যই নতুন ৰূপ আৰু শক্তি লাভ কৰে।

*অৰুণোদই*ৰ পূৰ্বে অসমীয়া গদ্যৰ কেৱল প্ৰাৰম্ভিক ৰূপহে দেখা গৈছিল। কিন্তু এই আলোচনীৰ জৰিয়তে গদ্যই ধীৰে ধীৰে পৰিণতি লাভ কৰে আৰু আধুনিক ভাবপ্ৰকাশৰ উপযোগী মাধ্যমত পৰিণত হয়। অৰুণোদইৰ লেখকসকলক সাধাৰণতে খ্ৰীষ্টিয়ান আৰু অখ্ৰীষ্টিয়ান— এই দুটা ভাগত বিভক্ত কৰি

আলোচনা কৰা হয়। খ্ৰীষ্টিয়ান লেখকসকলৰ ভিতৰত নাথান ব্ৰাউন, মাইলছ ব্ৰন্সন, নিধি লিবাই ফাৰোৱেল আৰু এ. কে. গার্নিৰ অৱদান বিশেষভাৱে উল্লেখযোগ্য।

নাথান ব্ৰাউন

অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসত নাথান ব্ৰাউনৰ স্থান অতি সন্মানজনক। তেওঁ অসমীয়া ভাষাৰ ব্যাকৰণ ৰচনা কৰি উচ্চাৰণভিত্তিক বানান আৰু গদ্যৰীতিক এক নতুন দিশ দান কৰিছিল। তেওঁ *আমাৰ ত্ৰাণকৰ্তা যীশুখ্ৰীষ্টৰ নতুন নিয়ম, খ্ৰীষ্টৰ বিৱৰণ আৰু শুভবাৰ্তা, যাত্ৰিকৰ যাত্ৰা, গণনাৰ পুথি, ভূগোলৰ বিৱৰণ* আদি বহু গ্ৰন্থ ৰচনা বা অনুবাদ কৰি অসমীয়া ভাষা-সাহিত্যক সমৃদ্ধ কৰে।

নাথান ব্ৰাউনৰ গদ্যত ইংৰাজী ভাষাৰ প্ৰভাৱ স্পষ্টভাৱে পৰিলক্ষিত হয়। তেওঁৰ বাক্যগঠন আৰু বর্ণনাশৈলীত ইংৰাজী গদ্যৰ আভাস পোৱা যায়। উদাহৰণস্বৰূপে—

"এই জগতৰ অৰন্যৰ মাজত মই ফুৰি জাওঁতে জি এখন ঠাইত এটা গাঁত আচিল, এনে ঠাই পালোঁহি। তাতে পৰি সুই থাকোঁতে এক সামাজিক দেখিলোঁ..."

বুৰঞ্জী আৰু চৰিত পুথিৰ দৰে তেওঁও 'পাচে', 'তাতে', 'আৰু' আদি শব্দেৰে বাক্য আৰম্ভ কৰাৰ ৰীতি অনুসৰণ কৰিছিল। যেনে—

"পাচে য়িহুদিবিলাকৰ পর্ব ওচৰ হলত, সেই পর্বৰ আগৈএ আপোনাক সুচি কৰিবলৈ অনেক মানুহ গাঁৱৰ পৰা য়িৰুচালম নগৰলৈ আহিল।"

তেওঁৰ ভাষা উচ্চাৰণভিত্তিক, সহজ আৰু সৰল। মানুহে যিদৰে কথা কয়, সেই ধৰণে শব্দ লিখিবলৈ তেওঁ চেষ্টা কৰিছিল। উদাহৰণস্বৰূপে—

"জিবিলাক প্ৰথমৰে পৰা দেখা সাখি আৰু বাক্যৰ প্ৰচাৰক হৈছিল, সিবিলাকে সিখ্যা দিয়াৰ দৰে..."

নাথান ব্ৰাউনৰ হাততেই অসমীয়া গদ্যৰ মিছনেৰী ধাৰাৰ সুদৃঢ় সূচনা হয়।

মাইলছ ব্ৰন্সন

মাইলছ ব্ৰন্সনৰ আটাইতকৈ উল্লেখযোগ্য অৱদান হৈছে তেওঁৰ *অসমীয়া-ইংৰাজী অভিধান*। তেওঁ উচ্চাৰণৰ ভিত্তিত বানান প্ৰয়োগ কৰিছিল আৰু সহজ ভাষা ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

তেওঁৰ গদ্যতো ইংৰাজী ভাষাৰ প্ৰভাৱ স্পষ্ট। উদাহৰণস্বৰূপে—

"সকলো জাতি আৰু মানুহৰ মাজত নিজ মাত্ৰি ভাসা আদৰনিয়। সেয়ে জিমান কি খিন আৰু অসোভিত নহওক, তেও আপোন ভাসা বুলি নেৰে।"

এই উদ্ধৃতিটোৰ পৰা তেওঁৰ ভাষাৰ সৰলতা আৰু উচ্চাৰণভিত্তিক বানানৰীতি স্পষ্টভাৱে বুজা যায়।

নিধি লিবাই ফাৰোৱেল

অৰুণোদইত সর্বাধিক গদ্য আৰু পদ্য ৰচনা কৰা সাহিত্যিক আছিল নিধি লিবাই ফাৰোৱেল। তেওঁ "ন.ল." আৰু "ন.ল.ফ." সংক্ষিপ্ত নামেৰে বিভিন্ন ৰচনা প্ৰকাশ কৰিছিল। তেওঁৰ *তিনিজন ভাইৰ মিছনেৰী যাত্ৰা* অসমীয়া সাহিত্যৰ প্ৰথম ভ্ৰমণকাহিনী হিচাপে স্বীকৃত।

ফাৰোৱেলৰ গদ্যত মিছনেৰী গদ্যৰ সকলো মুখ্য বৈশিষ্ট্য বিদ্যমান। ব্ৰাউন আৰু ব্ৰন্সনে সৃষ্টি কৰা গদ্যৰীতিক তেওঁ অধিক পৰিণত ৰূপ দিছিল। উদাহৰণস্বৰূপে—

"ইস্বৰে কৰা প্রতিগ্যাৰ কাল জেতিয়া পুৰ হল, তেওঁ আপোন দুত আব্রাহামলৈ পঠাই এই সুভ সম্বাদ জনালে..."

তেওঁৰ গদ্য সহজ, প্রাঞ্জল, বর্ণনাধর্মী আৰু ওজস্বী। বিষয়বস্তু বর্ণনা কৰোঁতে তেওঁ স্বাভাৱিকতা বজাই ৰাখিছিল।

এ. কে. গার্নি

অৰুণোদই যুগৰ খ্রীষ্টিয়ান লেখকসকলৰ ভিতৰত এ. কে. গার্নিৰ স্থান বিশেষ উল্লেখযোগ্য। তেওঁ *কামিনীকান্তৰ চৰিত্র* ৰচনা কৰি অসমীয়া উপন্যাস সাহিত্যৰ আৰম্ভণি ঘটায়। তেওঁৰ গদ্য অন্য মিছনেৰী লেখকসকলৰ তুলনাত বিশুদ্ধ অসমীয়াৰ অধিক ওচৰ চাপা।

কামিনীকান্তৰ চৰিত্রৰ ভাষা সহজ, সৰল আৰু স্বাভাৱিক। উদাহৰণস্বৰূপে—

পিতৃ: "কামিনীকান্ত, তুমি কেনেকৈ আমাক সকলোকে পৰিত্যাগ কৰি আহিলা?"

পুত্র: "বাবা, ময় হলে আপোনা সকলক ত্যাগ কৰা নাই..."

গার্নিৰ গদ্যৰ অন্যতম বৈশিষ্ট্য হৈছে সূক্ষ্ম বর্ণনাশক্তি। উদাহৰণস্বৰূপে—

"পানীত চৰা চৰাইবোৰে সেই দেশৰ পর্ব্বতবোৰৰ গুহালৈ গৈ বছৰি বছৰি কনি পাৰি থাকে..."

তেওঁৰ গদ্যত ইংৰাজী আৰু বাংলা ভাষাৰ প্রভাৱো কম-বেছি পৰিমাণে দেখা যায়। বিশেষকৈ ইংৰাজী *See* শব্দৰ অনুকৰণত 'দেখা' শব্দেৰে বাক্য আৰম্ভ কৰাৰ উদাহৰণ পোৱা যায়—

"দেখা, এই পঢ়াশালিৰ পৰীক্ষাৰ কাৰণে আমি কিমান ভাবোঁ, কত্ চিন্তা কৰোঁ।"

গার্নিয়ে 'ময়'ৰ ঠাইত 'ময়', 'ৰ'ৰ ঠাইত 'ও' আৰু 'য়ে'ৰ ঠাইত 'এ' ব্যৱহাৰ কৰিছিল। যেনে— *স্বভাও, অভাও, ৰাত্রিএ, য়ীশুএ* ইত্যাদি। একেদৰে *ক্ষমা → খেমা, পৰীক্ষা → পৰীখা, বুজিছো → বুঝিছো* আদি ৰূপো তেওঁৰ গদ্যত দেখা যায়।

অৰুণোদই যুগৰ খ্রীষ্টিয়ান লেখকসকলে অসমীয়া গদ্যক আধুনিক ৰূপ প্রদান কৰাত অগ্রণী ভূমিকা পালন কৰিছিল। নাথান ব্রাউনে গদ্যৰ ভেটি সুদৃঢ় কৰিলে, মাইলছ ব্রন্সনে অভিধান আৰু ভাষা-চর্চাৰ ক্ষেত্রত অৱদান আগবঢ়ালে, নিধি লিবাই ফাৰোৱেলে গদ্যৰ প্রাঞ্জলতা বৃদ্ধি কৰিলে আৰু এ. কে. গার্নিয়ে সাহিত্যিক গদ্যক অধিক পৰিণত ৰূপ দিলে। তেওঁলোকৰ একান্ত প্রচেষ্টাৰ ফলতেই অসমীয়া গদ্য আধুনিক যুগত প্রৱেশ কৰিবলৈ সক্ষম হৈছিল।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭: নাথান ব্রাউনৰ অসমীয়া ভাষা-সাহিত্যলৈ মুখ্য অৱদানসমূহ কি কি?

.....

প্রশ্ন নং ৮ : মাইলছ ব্রন্সনৰ গদ্য আৰু ভাষা-চর্চাৰ বিশেষত্ব কি আছিল?

.....

১৩.৪ অৰুণোদই কালৰ গদ্যৰ বৈশিষ্ট্য

অসমীয়া সাহিত্যৰ ইতিহাসত অৰুণোদই কালক আধুনিক যুগৰ আৰম্ভণি কাল বুলি গণ্য কৰা হয়। এই যুগত অসমীয়া ভাষা আৰু সাহিত্যই এক নতুন দিশ লাভ কৰিছিল। বিশেষকৈ গদ্য সাহিত্যৰ ক্ষেত্ৰত অৰুণোদই যুগে এক যুগান্তকাৰী পৰিৱৰ্তনৰ সূচনা কৰে। মিছনেৰীসকলৰ উদ্যোগত প্ৰকাশিত *অৰুণোদই* আলোচনীক কেন্দ্ৰ কৰি গঢ় লৈ উঠা এই গদ্যধাৰাই অসমীয়া ভাষাক আধুনিক জ্ঞান-বিজ্ঞান, সমাজ, শিক্ষা, ইতিহাস, ভূগোল, ধৰ্ম আৰু সমসাময়িক বিষয়সমূহ প্ৰকাশৰ উপযোগী কৰি তোলে। ফলস্বৰূপে গদ্যই পূৰ্বৰ সীমিত ব্যৱহাৰৰ পৰিসৰ অতিক্ৰম কৰি ব্যাপক আৰু বহুমুখী ৰূপ লাভ কৰে। এই কালৰ গদ্যত একফালে মধ্যযুগীয় গদ্যৰ কিছু পৰম্পৰা ৰক্ষিত হৈছিল যদিও আনফালে আধুনিক চিন্তা-চেতনা, যুক্তিনিষ্ঠ দৃষ্টিভংগী আৰু নতুন ভাষা-প্ৰয়োগৰ সংযোজনে ইয়াক এক স্বকীয় ৰূপ প্ৰদান কৰিছিল। অসমীয়া গদ্যক আধুনিকতাৰ পথত আগুৱাই নিয়াৰ ক্ষেত্ৰত অৰুণোদই যুগৰ অৱদান অতুলনীয়। আধুনিক অসমীয়া গদ্যৰ পৰৱৰ্তী বিকাশৰ বাবে এই যুগেই সুদৃঢ় ভিত্তি স্থাপন কৰিছিল আৰু অসমীয়া ভাষা-সাহিত্যৰ নতুন যুগৰ সূচনা কৰিছিল।

১৩.৪.১ প্ৰাক্-অৰুণোদই কালৰ গদ্যৰ বৈশিষ্ট্য

অৰুণোদই যুগ আধুনিক অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাসত এক যুগান্তকাৰী অধ্যায়। এই যুগতেই প্ৰথমবাৰৰ বাবে পাশ্চাত্য জ্ঞান-বিজ্ঞান, নতুন চিন্তা-চেতনা আৰু আধুনিক সাহিত্যিক ধাৰাৰ প্ৰভাৱ অসমীয়া ভাষা-সাহিত্যত প্ৰৱেশ কৰে। এই পৰিৱৰ্তনৰ মুখ্য মাধ্যম আছিল *অৰুণোদই* আলোচনী। অসমীয়া জনজীৱনত অৰুণোদইৰ বহু মূল্যৱান অৱদানৰ ভিতৰত অন্যতম হৈছে অসমীয়া ভাষাৰ আধুনিক ৰূপ নিৰ্মাণ আৰু নতুন গদ্যশৈলীৰ বিকাশ।

অসমীয়া ভাষাৰ ইতিহাসৰ বিশিষ্ট গৱেষক মহেশ্বৰ নেওগে বেপ্তিষ্ট মিছনেৰীসকলৰ অৱদানৰ মূল্যায়ন কৰি কৈছে যে তেওঁলোকে অসমীয়া ব্যাকৰণ, অভিধান, পাঠ্যপুথি, জ্ঞান-বিজ্ঞানমূলক গ্ৰন্থ আদি ৰচনা আৰু প্ৰকাশ কৰাৰ লগতে *অৰুণোদই*ৰ দৰে এখন উৎকৃষ্ট আলোচনী দীৰ্ঘকাল ধৰি চলাই অসমীয়া ভাষাক নতুন জীৱন দান কৰিছিল। তেওঁলোকেই বিদ্যালয় আৰু আদালতত অসমীয়া ভাষাৰ হেৰোৱা মৰ্যাদা পুনৰুদ্ধাৰৰ সংগ্ৰামত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। লগতে ইংৰাজী শব্দভাণ্ডাৰ আৰু বাক্যৰীতিৰ প্ৰভাৱ অসমীয়া ভাষাত সংযোজন কৰি আধুনিক সাহিত্য সৃষ্টিৰ উপযোগী ভাষাৰ ভিত্তি গঢ়ি তুলিছিল। সৰ্বোপৰি তেওঁলোকে অসমীয়া জাতিক আত্মবিশ্বাস আৰু আত্মপ্ৰত্যয়ৰ শিক্ষা দিছিল।

অৰুণোদই যুগত মিছনেৰীসকল আৰু ইংৰাজী শিক্ষাৰে শিক্ষিত নতুন প্ৰজন্মৰ অসমীয়া যুৱকসকলৰ হাতত যি গদ্যৰ জন্ম হৈছিল, তাৰ মাজতেই আধুনিক অসমীয়া গদ্যৰ মূল বীজ নিহিত আছিল। এই যুগতেই অসমীয়া গদ্যই মধ্যযুগীয় ধৰ্মীয় আৰু ভক্তিমূলক চিন্তাৰ সীমা অতিক্ৰম কৰি যুক্তিনিষ্ঠ, বিশ্লেষণধৰ্মী আৰু জটিল ভাব প্ৰকাশৰ উপযোগী মাধ্যম হিচাপে বিকশিত হয়। ফলত অসমীয়া গদ্যই আধুনিক সমাজ, বিজ্ঞান, ইতিহাস, ৰাজনীতি আৰু সাহিত্যৰ বিষয়সমূহ প্ৰকাশ কৰাৰ সক্ষমতা লাভ কৰে।

বিশিষ্ট নাট্যকাৰ চন্দ্ৰধৰ বৰুৱাৰ মতে, অৰুণোদই যুগে অসমীয়া ভাষাক এক নতুন গঢ় আৰু নতুন ৰূপ প্ৰদান কৰিছিল। এই যুগতেই আধুনিক যুগৰ উপযোগী সাহিত্যিক ভাষা আৰু গদ্যশৈলীৰ সূচনা হৈছিল। পৰৱৰ্তী কালত এই গদ্যৰ কিছু পৰিৱৰ্তন ঘটিলেও বৰ্তমানৰ অসমীয়া গদ্য মূলতঃ

অৰুণোদই যুগত গঢ় লোৱা গদ্যৰেই পৰিমার্জিত আৰু বিকশিত ৰূপ। তেওঁৰ মতে, অৰুণোদই যুগৰ গদ্য আছিল অতি স্বাভাৱিক, নির্মল, সৰল আৰু মনোগ্রাহী। সেই গদ্যৰ মাজত কৃত্রিমতা বা আড়ম্বৰ নাছিল; বৰং বনফুলৰ দৰে স্বতঃস্ফূর্ত সৌন্দর্য আৰু শিশিৰবিন্দুৰ দৰে স্বচ্ছতা আছিল।

সেয়েহে ক'ব পাৰি যে অৰুণোদই যুগেই আধুনিক অসমীয়া গদ্যৰ প্রকৃত জন্মকাল। এই যুগৰ গদ্যই অসমীয়া ভাষাক নতুন দিশ দেখুৱাইছিল, আধুনিক সাহিত্য সৃষ্টিৰ ভেটি সুদৃঢ় কৰিছিল আৰু পৰৱর্তী সাহিত্যিকসকলৰ বাবে এক শক্তিশালী পথ নির্মাণ কৰি দিছিল। অৰুণোদই যুগৰ এই অৱদানৰ বাবেই অসমীয়া ভাষা আৰু সাহিত্য আধুনিক যুগত দৃঢ়ভাৱে প্রতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছিল।

অৰুণোদই যুগত মিছনেৰীসকলৰ হাতত গঢ় লৈ অসমীয়া গদ্য শিৱসাগৰৰ অসমীয়া কথিত ৰূপটোৰ আলমতেই গঢ় লৈ উঠিছিল। কথিত অসমীয়া ভাষাক আশ্রয় কৰি গঢ় লৈ উঠা গদ্যৰাজিত বর্ণবিন্যাসৰ ভালেমান বৈশিষ্ট্য লক্ষ্য কৰিব পাৰি। অৰুণোদইৰ গদ্যত স্বৰবর্ণ ঈ, ঊ আৰু ঋ-ৰ ব্যৱহাৰ দেখা পোৱা নাযায়। অৱশ্যে কেতিয়াবা কেতিয়াবা যুক্ত ব্যঞ্জনৰ পিছত ঈ-স্বৰটোৰ প্রয়োগ নোহোৱা নহয়। যেনে– শ্রীজুত, শ্রীমতি আদি। ঙ বর্ণৰ একাকী প্রয়োগ নাছিল যদিও ঙ-ৰ ঠাইত ঙ্গ যুগ্ম ব্যঞ্জনৰ প্রচুৰ ব্যৱহাৰ অৰুণোদইত দেখা পোৱা যায়। যেনে— ফৰিঙ্গ, ডিঙ্গি আদি। ছ ঝ য-বর্ণকেইটাৰ ১৮৬১ চনৰ আগৰ অৰুণোদইৰ সংখ্যাবোৰত ব্যৱহাৰ দেখা পোৱা নাযায়। য-বর্ণটোৰ একাকী প্রয়োগ নাছিল যদিও য-কাৰ ৰূপে ইয়াৰ যথেষ্ট ব্যৱহাৰ আছিল। যেনে— বিদ্যা, জোগ্য আদি। শ ষ আৰু স-বর্ণকেইটাৰ ভিতৰত কেৱল স-বর্ণটোৰে সঘন প্রয়োগ হৈছিল যদিও অন্য বর্ণ সৈতে যুক্ত অৱস্থাত শ আৰু ষ-বর্ণ দুটাৰ প্রয়োগ আছিল। যেনে— ব্যাপ্তিষ্ট, শ্রীজুত আদি। অসমীয়া ভাষাৰ কথিত ৰূপত হ্রস্ব-দীর্ঘ স্বৰৰ পার্থক্য নাই বাবে অৰুণোদইৰ ভাষাতো হ্রস্ব স্বৰৰেই প্রয়োগ অধিক আছিল। ঋ-ৰ ঠাইত ৰি, ই-ৰ আৰু ৰে-ৰ প্রয়োগ হৈছিল। একেদৰে কেতিয়াবা ঐ-ৰ ঠাইত এ, ও-ৰ ঠাইত অ, ছ-ৰ ঠাইত চ, ণ-ৰ ঠাইত ন, ঝ, য-ৰ ঠাইত জ, শ ষ-ৰ ঠাইত স ৰ প্রচুৰ প্রয়োগ হৈছিল। তলৰ উদাহৰণবোৰে প্রয়োগসমূহ বুজি পোৱাত সহায় কৰিব—

আ > এ	:	আধামৰা > এধামৰা
ঈ > ই	:	দীঘল > দিঘল
ঊ > উ	:	সূর্য্য > সুর্জ
ঋ ৰি, ইৰ > ৰে	:	পৃথিৱী > প্রিথিবি, দৃঢ > দ্রিঢ়, বৃথা > ব্রেথা
ঐ > অ	:	দৈন্য > দন্য, ভৈয়াম > ভঁয়াম
ও > অ	:	মৰাটোৰ > মৰাটৰ
ছ > চ	:	আছে > আচে, বছৰ > বচৰ
ণ > ন	:	ঘূৰণীয়া > ঘুৰনিয়া, ৰণ > ৰন
ঝ, য > জ	:	মাঝ > মাজ, যাৰ > জাৰ
শ, ষ > স	:	দেশ > দেস, হর্ষ > হর্স

[শ ষ-ৰ ঠাইত কোনো কোনো শব্দত খ্য খে হোৱাও দেখা যায়। যেনে– ৰক্ষা, ৰখ্যা, ক্ষমা খেমা আদি।]

অৰুণোদইত জ্ঞ, হ্য যুক্তাক্ষৰবোৰ একাদিক্রমে গ্য আৰু জ্য ৰূপে লিখা হৈছিল। যেনে— আজ্ঞা>আগ্যা, গ্রাহ্য > গ্রাজ্য আদি।

অৰুণোদই যুগৰ গদ্যসমূহত থকা কেতবোৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যও মনকৰিব-লগীয়া। এই গদ্যসমূহত নির্দিষ্টতাবাচক প্রত্যয় ৰূপে -ট আৰু -টে প্রত্যয় বিচাৰি পোৱা যায়। যেনে— মানুহট, লৰাটে আদি। একেদৰে নির্দিষ্টতাবাচক প্রত্যয় -খন-ৰ ঠাইত -টা আৰু -জনী-ৰ ঠাইত -টো ব্যৱহাৰ কৰা দেখা যায়। যেনে– এটা সংবাদ-পত্র, মাইকীটো আদি। দ্বিতীয় বিভক্তি -ক-ৰ ঠাইত প্রায়ে সপ্তমী বিভক্তি -ত-ৰ প্রয়োগ দেখা পোৱা যায়। যেনে– ৰজাত ক'লে।

অৰুণোদই যুগৰ অসমীয়া গদ্যত তৎসম, অর্ধ তৎসম আৰু তদ্ভৱ শব্দৰ লগতে হিন্দী, বাংলা, ইংৰাজী, আৰবী, পার্চী, পর্তুগীজ আদি বিভিন্ন ভাষাৰ শব্দৰ ব্যৱহাৰ হোৱা দেখা যায়। অৰুণোদইৰ গদ্যকাৰসকলৰ এই অভ্যাসে অসমীয়া ভাষাৰ শব্দ সম্ভাৰলৈ নতুন শব্দৰ আমদানি কৰাৰ লগতে ভাষাটোৰ প্রকাশিকা শক্তি সবল কৰাত অৰিহণা যোগালে বুলি ক'ব পাৰি। উপেন্দ্রনাথ গোস্বামীৰ মতে, "অৰুণোদই যুগতে বিভিন্ন দেশী-বিদেশী ভাষাৰ শব্দ-গ্রহণ আৰু আৱশ্যকতা অনুযায়ী শব্দ-নির্মাণ ৰীতিৰ যি ব্যৱস্থা লোৱা হ'ল, সিয়ে ভৱিষ্যতৰ অসমীয়া ভাষাৰ সুপ্রতিষ্ঠাৰ বাট মুকলি কৰি তুলিলে।" অৰুণোদইৰ গদ্যসমূহত থকা শব্দসম্ভাৰৰ সামান্য উদাহৰণ তলত উল্লেখ কৰা হ'ল–

তৎসম শব্দঃ স্বামি, ৰাজ্য, সুন্দৰ, মগ্ন, ইস্বৰ আদি।
অর্ধ তৎসমঃ গিয়ান, ধৰম, সবদ, অগিয়ানি, কৰম আদি।
তদ্ভৱঃ দুপৰ, ইচা, দখিন, পচিম আদি।
কামৰূপী কথিত অসমীয়াৰ শব্দঃ চলি, ডিমা, তিৰি, আতা আদি।
ইংৰাজীঃ অফিচ, কলেজ, হস্পিটাল, ব্যাপ্তিষ্ট আদি।
হিন্দীঃ চফেদ, ডৰ, পংখা, মহিনা আদি।
আৰবীঃ কবৰ, তাৰিখ, সাহাব, খাজনা আদি।
পার্চীঃ আন্দাজ, চৰম, কার্বাৰ, চহৰ আদি।
পর্তুগীজঃ পাদুৰী, গির্জা আদি।

অৰুণোদইৰ গদ্যকাৰসকলৰ সবাতোকৈ মন কৰিবলগীয়া দিশটো হ'ল তেওঁলোকে প্রয়োজন সাপেক্ষে কেতবোৰ নতুন শব্দ নির্মাণ কৰি লৈছিল। ইংৰাজীৰ সমান্তৰাল অর্থ বুজাবলৈ অসমীয়া শব্দগোট তৈয়াৰ কৰি নতুন ভাব বুজাবলৈ সেই শব্দবোৰ নিজৰ গদ্যত ব্যৱহাৰ কৰিছিল। তেনে কেতবোৰ শব্দ হ'ল— ধৰমপুথি (Bible), ভাপৰ নাও (Steam Boat), মাজুলি (Island), শিলপানী (Ice), বেজ সাল (Hospital) আদি।

অৰুণোদইৰ খ্রীষ্টিয়ান গদ্যকাৰসকলৰ অধিকাংশৰেই মাতৃভাষা ইংৰাজী আছিল। সেয়েহে তেওঁলোকে ৰচনা কৰা অসমীয়া বাক্যত ইংৰাজী বাক্যৰীতিৰ সুস্পষ্ট প্রভাৱ দেখা পোৱা যায়। বহুবাৰ ইংৰাজী বাক্যৰ হুবহু আক্ষৰিক ৰূপত অনূদিত বাক্যও দেখা পোৱা যায়। বাক্যবোৰ অধিকাংশ ক্ষেত্রতে চুটি চুটি। তলৰ উদাহৰণটোৰে এই কথাষাৰ স্পষ্ট কৰা হ'ল—

"এক দেসৰ মানুহবোৰ অতি বগা, এক দেসৰ বা অতি কলা, আৰু এক দেসৰ বা তাম বৰনিয়া, কোনো দেশক ৰজাই কোনো দেসক প্ৰজাই সাসন কৰে, কোনো দেসত বৰ জাৰ, আৰু কোনো দেস বৰ গৰমি, আৰু এঠাইত বা ইস্বৰক এক দৰে পূজা কৰে, এঠাইত বা আন দৰে পুজা কৰে।"

অৰুণোদইৰ অধিকাংশ বাক্যই চুটি চুটি সৰল বাক্য যদিও স্থানবিশেষে যৌগিক আৰু মিশ্ৰবাক্যৰ ব্যৱহাৰো গদ্যকাৰসকলে নকৰাকৈ থকা নাই। যেনে—

"নুজিলণ্ড মাজুলিত ইংৰেজি লোকে জি নগৰত নিবাস কৰে, তাতে আদিবাসি আবৰ লোকে মেই মাহৰ জ্জ্ব তাৰিখত ৰন কৰি ১৫।২০ মানুহ মাৰিলে।"

"এইসকল গুন কানিৰ পৰা হই বুলি প্ৰাই সকলোও জানে, তথাপি অগিয়ানিৰ মত হই কানি খাবলৈকো নেৰে, আৰু তাৰ লৰা চোআলিকো সিকাই; এই দৰে জি দেসত কানিয়া সৰহ সেই দেসতে মিচা, অনিয়াই, ভাৰি খোআ, অধৰম সদাই বাৰ্হি গৈচে, কিন্তু ধৰম হলে এফেৰিও নাই।"

কথা-গুৰু-চৰিত আৰু বুৰঞ্জীৰ গদ্যত 'বোলে', 'আৰু', 'পাচে' আদি শব্দেৰে বাক্য আৰম্ভণি কৰা ৰীতি অৰুণোদইৰ গদ্যতো দেখা পোৱা যায়। সতীশ চন্দ্ৰ ভট্টাচার্যই অৰুণোদই গদ্যৰ এই বৈশিষ্ট্যক মধ্যযুগীয় অসমীয়া ভাষাৰ ঐতিহ্যৰ ছাপ বুলি অভিহিত কৰিছে। এনে ধৰণৰ কেইটামান বাক্যৰ নমুনা তলত উল্লেখ কৰা হ'ল—

"বোলে হে তিৰি, অনেক নিসা গল অলপমানহে আচে, এই কাৰনে আৰু কিচুমান মন থিৰ কৰি সজ লোকৰ সন্তোস কৰ।"

"আৰু লোৰ এনে এটা বেয়া গুন আচে, কিয়নো তাত মামৰ পৰি লগতেই নষ্ট কৰে।"

"পাচে য়াকোবে তেওঁৰ পুত্ৰবিলাক কেনে আচে, ইয়াক জানিবৰ ইচা কৰি, তেওঁ য়োচেফক কলে..."

প্ৰফুল্ল কটকীৰ মতে বুৰঞ্জীৰ গদ্যত থকা ভাব আৰু ভাষাৰ প্ৰাঞ্জলতা অৰুণোদইৰ গদ্যতো আছে, কিন্তু ইয়াৰ ঠাঁচ বুৰঞ্জীৰ গদ্যৰ নহয়। পূৰ্বৰতী গদ্যতকৈ ইয়াৰ পৰৰতী গদ্যৰ লগতহে এই গদ্যৰ সংযোগ দৃঢ়তৰ। অৰুণোদইৰ ভাষা সংযত, প্ৰাঞ্জল আৰু প্ৰকাশভঙ্গী সহজ-সৰল। বৰ্ণনাধৰ্মিতা এই গদ্যৰ উল্লেখযোগ্য বৈশিষ্ট্য। অৰুণোদইৰ গদ্যৰ এই বৈশিষ্ট্যসমূহ তলৰ উদ্ধৃতিটোৰে বুজি উঠাত সহজ হ'ব—

"ইগুআনা নামে এবিধ জন্তু, তাৰ অনেক জাত আচে, প্ৰাই ডেৰ স মান হব। অচম দেসত গুঁই বুলি তাৰে এজাত আচে। তাৰ মঙ্গহ ঠায়ে ঠায়ে লোকবিলাকে খাই। আমেৰিকাৰ মাজ দেসত জি বিধ ইগুআনা থাকে, তাৰ নকচা ওপৰত লিখা আচে। আগৰ কালত দখিন আমেৰিকা আৰু তাৰ ওচৰৰ মাজুলিতো বহু পোআ গৈচিল; এতিয়া মানুহে খোআত তাকৰ হৈ গৈচে। তাৰ গিঘলে প্ৰাই ৩ হাত; গা ডেৰ হাত নেগুৰেই ডেৰ হাত। জেতিয়া তাৰ খঙ্গ উঠে, তেতিয়া তাৰ পিঠিৰ কাঁইতবোৰ সিয়ৰি পৰে, তাৰ টোঁটোলা বৰকৈ ফিকে, নেগুৰ আচাৰিবলৈ ধৰে, আৰু চকু জুই জেন ৰঙ্গা হই, দেখিবলৈ ভয়ঙ্কৰ; তথাপি আঁচোৰাৰ বা কামোৰাৰ বাহিৰে একো কৰিব নোআৰে।"

ফকৰা-যোজনা, জটুৰা-ঠাঁচ, প্ৰবাদ-প্ৰবচনেৰে সমৃদ্ধ অৰুণোদই যুগৰ গদ্যৰ অন্যতম বৈশিষ্ট্য হ'ল সংবাদধৰ্মিতা। এই ক্ষেত্ৰত হৰিনাথ শৰ্মাদলৈৰ মন্তব্য প্ৰণিধানযোগ্য—

"মিছনেৰীসকলৰ অধিকাংশ সাহিত্যকৃতিয়েই আছিল সাংৱাদিক-ৰচনা; সেইবোৰ সৃষ্টি হৈছিল অৰুণোদই সংৱাদ-পত্ৰ চলাই ৰখাৰ কাৰণে। বিষয়বস্তু ভেদে ভাষা আৰু ৰচনাৰীতি যিহেতু বেলেগ হয়, সাংৱাদিকতাৰ ভাষা আৰু ৰচনাৰীতিও আন ৰস-সাহিত্যৰ এই দুবিধতকৈ কিছু বেলেগ। বহির্জগতৰ নানাবিধ বিৱৰণাত্মক বা-বাতৰি বিশেষভৱে সাংৱাদিকতাৰ উপজীব্য। য'ত অনুভূতিৰ গভীৰতা স্বাভাৱিকতে কম, বিশ্বৰ বা-বাতৰি সেই বিৱৰণাত্মক ৰচনাই অৰুণোদই সংৱাদ-পত্ৰ আগুৰি আছিল।"

অৰুণোদই যুগৰ মিছনেৰী আৰু অন্যান্য লেখকসকলৰ হাততেই আধুনিক অসমীয়া গদ্যৰ ধাৰা মুকলি হৈছিল যদিও এই গদ্যৰীতিত অসমীয়া ভাষাৰ মূল কালিকাটো বিচাৰি পোৱা নাযায়। 'ভাসা লিখোতে আখৰৰ জিমান জাতি, তিমানহে লিখিব লাগে'— এই উদ্দেশ্য আগত লৈ গদ্য ৰচনা কৰাৰ বাবে ভাষা ব্যৱহাৰত বিভিন্ন বেমেজালিৰ সৃষ্টি হৈছিল আৰু সেই গদ্যত অসমীয়া ভাষাৰ অবয়ৱ বা স্বৰূপ অপ্ৰকাশিত হৈয়ে ৰৈছিল। ফলস্বৰূপে, অৰুণোদইৰ যোগেদিয়েই আধুনিক অসমীয়া গদ্যৰ শুভাৰম্ভ হয় যদিও এই গদ্যশৈলীয়ে পৰৱৰ্তী কালত বিকাশ লাভ আৰু স্থায়িত্ব দুয়োটাই হেৰুৱালে। অৱশ্যে আধুনিক গদ্যৰ প্ৰথম আৰ্হি ৰূপে এই গদ্যৰ মূল্য চিৰকলীয়া। সেয়েহে হয়তো অৰুণোদইৰ গদ্য সন্দৰ্ভত প্ৰফুল্ল কটকীয়ে মত পোষণ কৰিছে যে অৰুণোদইৰ গদ্য আধুনিক অসমীয়া গদ্যৰ বিকাশত এক উল্লেখযোগ্য পৰ্যায়। অৰুণোদয়ে অসমীয়া ভাষা আৰু চিন্তাৰ নতুন দিগন্তৰ সূচনা কৰিলে। অসমীয়া ভাষা সাহিত্যৰ ই এক কালবিজয়ী ঐতিহাসিক শুভাৰম্ভ। নৰ্মান আক্ৰমণৰ পৰিণতি স্বৰূপে ইংলণ্ডৰ ভাষাই অভূতপূৰ্ব প্ৰসাৰ লাভ কৰাৰ দৰেই, অৰুণোদইৰ আবির্ভাৱ আৰু প্ৰচলনেও অসমীয়া ভাষাক নতুন সুঁতিয়েদি বোৱাই দি তাৰ বিকাশ দ্ৰুততৰ কৰিলে।

আগতেই উল্লেখ কৰা হৈছে যে অৰুণোদই স্তৰৰ সাহিত্যিকসকলক খ্ৰীষ্টিয়ান আৰু অখ্ৰীষ্টিয়ান তথা অসমীয়া আৰু অনা-অসমীয়া এই দুই ভাগত ভাগ কৰিব পাৰি। নিধি লিবাই ফাৰোৱেলকে আদি কৰি দুই এজনক বাদ দি অন্যান্য সকলো খ্ৰীষ্টিয়ান লেখকেই অনা-অসমীয়া শ্ৰেণীৰ অন্তৰ্ভুক্ত। আনহাতে, অন্যান্য সাহিত্যিক বা লেখকসকল অসমীয়া আৰু অখ্ৰীষ্টিয়ান শ্ৰেণীৰ। গদ্যৰাজিৰ বিশে¡ষণ কৰিলে অনুমান কৰিব পাৰিযে খ্ৰীষ্টিয়ান আৰু অনা-অসমীয়া শ্ৰেণীৰ লেখকসকলতকৈ অসমীয়া লেখকসকলৰ গদ্যশৈলী কিছু পৰিমাণে উন্নত আৰু স্বাভাৱিক ধৰণৰ। মূলতঃ মাতৃভাষা অসমীয়া হোৱা বাবেই অসমীয়া লেখকসকলৰ গদ্যৰাজিত এই বিশিষ্টতা স্বাভাবিক ৰূপেই আহিছিল বুলি ক'ব পাৰি। এই প্ৰসঙ্গত বিশিষ্ট গদ্য বিশে¡ষক হৰিনাথ শৰ্মাদলৈয়ে কৈছে যে, "অসমীয়া লিখকসকলৰ ৰচনাসমূহৰ বৰ্ণ-বিন্যাস-ৰীতি ব্ৰাউন-প্ৰদৰ্শিত ৰীতিৰ লগত একে বুলি ধৰি ল'ব পৰা যায় যদিও তেওঁলোকৰ বাক্য-বিন্যাস ৰীতি কিন্তু পাদ্ৰীসকলতকৈ কিছু উন্নত দেখা যায়।" অৰুণোদই স্তৰৰ দুজনমান অসমীয়া গদ্য লেখকৰ গদ্যৰ নমুনা তলত উল্লেখ কৰা হ'ল—

"...প্ৰিথিবিত সভ্য আৰু অসভ্য দুই প্ৰকাৰ মানুহ আচে। জি দেস অসভ্য, তাৰ মানুহবোৰে নানা দৰে পহু, চৰাই, মাচ ইত্যাদি ধৰি তাকে খাই জিৱন ধাৰন কৰে। সিহঁতে খেতি কৰিব নে জানে, সিহঁতৰ ঘৰবোৰ পজাৰ নিচিনা মাটি, বঁতা গচৰ চাল ইত্যাদিৰে সাজে, থাবিলৈ অতি অসুখ।" (আনন্দৰাম ঢেকিয়াল ফুকন)

"...তথাপি গিয়ান আৰু গুণ, মানুহলৈ মৰম, আৰু ধৰমলৈ ইচা এই দেসৰ মানুহৰ অধিক, এই দেসলৈ চালে আমাৰ দেস নিচেই এফেৰি হেন জানো, আৰু এই দেসৰ নিচিনা গিয়ানি অসম দেসত

এজনো নাই হেন গুনো, আৰু এই দেসলৈ চালে অসম দেস নিচই এন্ধাৰেৰে পুৰ হৈ থকা জেন দেখো, এই নিমিতে আসা জন্মে জেন এইবোৰ দেসৰ নিচিনা আমাৰ অসম দেসো হব, এনে প্রার্থনা কৰোঁ।" (পূর্ণানন্দ শর্মা)

অখ্রীষ্টিয়ান লেখকসকলঃ

আনন্দৰাম ঢেকিয়াল ফুকনঃ অসমীয়া গদ্যই প্রকৃত আধুনিক ৰূপ লাভ কৰিছিল আনন্দৰামৰ হাততহে। ১৯৪৬ চনত আনন্দৰামে ৰচনা কৰা অসমীয়া লৰাৰ মিত্রৰ মাজেৰে অসমীয়া গদ্যৰ বিশুদ্ধ আধুনিকীকৰণ হোৱা বুলি ক'ব পাৰি। উক্ত পুথি সন্দর্ভত যোগেন্দ্রনাৰায়ণ ভূঞাৰ মন্তব্য প্রণিধানযোগ্য। তেওঁ কৈছে যে, "অসমীয়া লৰাৰ মিত্রখন যোৱা শতিকাৰ ভাষা জাগৰণৰ কালৰ প্রথম উল্লেখযোগ্য পাঠ্যপুথি আৰু আধুনিক অসমীয়া গদ্যৰ বিকাশৰ পথৰ এটি মাইলৰ খুঁটি ৰূপে অতি মূল্যবান।" আনন্দৰাম ঢেকিয়াল ফুকন অৰুণোদই যুগৰ লেখক যদিও অৰুণোদইৰ গদ্যৰ সৈতে তেওঁৰ গদ্যৰ বৈসাদৃশ্য আছিল ভালেমান। অৰুণোদইৰ সমসাময়িক হৈও তেওঁ অৰুণোদইৰ বর্ণবিন্যাস ৰীতি গ্রহণ নকৰি নিজস্ব চিন্তাৰে অসমীয়া গদ্যৰ বর্ণবিন্যাস পদ্ধতি গঠন কৰি লৈছিল বুলি ক'ব পাৰি। সেয়েহে যোগেন্দ্র নাৰায়ণ ভূঞাই মত দিছে যে অৰুণোদইৰ গদ্যৰ দৰে কেৱল কোমলতাৰে পৰিপূর্ণ হৈ নাথাকি কোমল-কঠিন মিলি হোৱা এটা নতুন ৰূপ লৈছে আনন্দৰামৰ গদ্যই। ডিম্বেশ্বৰ নেওগে আনন্দৰামৰ সন্দর্ভত কৈছে যে আনন্দৰাম অকল বর্তমান অসমীয়া গদ্যৰ প্রথম প্রৱর্তকেই নহয়, বর্তমান অসমীয়া ভাষাৰ আদি অৱস্থাৰ অনেক অপায়-অমঙ্গলৰ বিৰুদ্ধে যুঁজা প্রথম আগৰণুৱা তেওঁ, অসমীয়া সাহিত্যৰ আৰু জাতিৰ নতুন আদর্শ দাঙি ধৰোঁতা তেওঁ।

অৰুণোদইত গদ্যকাৰসকলে অন্তস্থ য়-ৰ বাহিৰে অন্য য নিজৰ লিখনিত ব্যৱহাৰ নকৰিছিল। কিন্তু আনন্দৰামে নিজৰ গদ্যত য বর্ণৰ ভালেমান প্রয়োগ কৰিছে। যেনে— যদি, ধৈর্য্যতা, যেনেকৈ, যি, যেনে আদি। অৰুণোদইৰ গদ্যত শ ষ আৰু স-ৰ কেৱল স-টোৰহে ব্যৱহাৰ বিচাৰি পোৱা যায়। আনহাতে, আনন্দৰামে শ ষ আৰু স প্রতিটোৰে বহুল প্রয়োগ নিজৰ ৰচনাত কৰিছে। উদাহৰণস্বৰূপে—

"দানশীলতা সৰলতাৰ সত্যতা এই সকল কৰিবলৈ মুষলমান ধর্ম্মে উপদেশ দিয়ে।"

অৰুণোদইৰ গদ্যত দন্ত্য ন আৰু মূর্ধন্য ণ-ৰ কেৱল দন্ত্য ন-টোৰহে ব্যৱহাৰ দেখা যায়। কিন্তু আনন্দৰামে দুয়োটাই ব্যৱহাৰ কৰিছিল। যেনে—

"উজনিত মানে ৰণ জিকি বুঢ়াগোহাঞিক বন্দি কৰি মিল ৰূপে স্বর্গদেৱলৈ কটকি পঠালে নহাত ৰণ হল, ৰণত ঠাৱৰিব নোৱাৰি গুয়াহাটিৰ পৰা ভাগি গল।"

মিছনেৰীসকলৰ গদ্যৰীতিতকৈ আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্য আৰু বর্ণবিন্যাস আধুনিক অসমীয়াৰ অধিক ওচৰ চপা। তলৰ তুলনামূলক উদ্ধৃতিবোৰে কথাযাৰ বুজি উঠাত সহায় কৰিব—

অৰুণোদইৰ গদ্যত			আনন্দৰামৰ গদ্যত		আধুনিক অসমীয়া		
ি	ি	বা	ী	:	নদি	নদী	নদী
ু	ু	বা	ূ	:	অমুল্য	অমূল্য	অমূল্য
	ন	বা	ণ	:	উচ্ছাৰন	উচ্ছাৰণ	উচ্ছাৰণ
	র্ব	র্ব্ব		:	পর্বত	পর্ব্বত	পর্ব্বত, পর্বত
	র্ম	র্ম্ম		:	ধর্ম (ধৰম)	ধর্ম্ম	ধর্ম্ম, ধর্ম

অন্যান্য শব্দ	:	খেমা	ক্ষমা	ক্ষমা
		ইচা	ইচ্ছা	ইচ্ছা
		প্রিথিৱি	পৃথিৱী	পৃথিৱী
		গিয়ান	জ্ঞান	জ্ঞান
		বৰুআ	বৰুৱা	বৰুৱা
		হই	হৈ	হৈ ...ইত্যাদি।

আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যত বুৰঞ্জীৰ গদ্যৰ পৰম্পৰা আৰু সত্ৰীয়া পৰম্পৰা দুয়োটাৰ প্ৰভাৱেই দেখা পোৱা যায়। বুৰঞ্জীৰ গদ্যত 'বোলে', 'পিচে', 'আৰু' আদি শব্দেৰে বাক্যৰ আৰম্ভণি কৰা ৰীতি আনন্দৰামে ব্যৱহাৰ কৰিছিল আৰু একেদৰে হে অব্যয়েৰে অঙ্কীয়া নাটত বাক্য আৰম্ভ কৰা ৰীতিও তেওঁ প্ৰয়োগ কৰিছিল। তলত এই প্ৰয়োগৰ উদাহৰণ দাঙি ধৰা হ'ল–

"আৰু সিহঁতৰ এই নিতি আচিল, ৰনৰ সময়ত কাঠৰ বৰ এক দেবতাৰ মুৰ্তি চিলিঙ্গৰ নিচিনা সাজি...."

"পিচে পোন্ধৰে বচৰ বয়স হলত এক খেতিয়কে তাক মেৰ চাগ ৰখিয়াকৈ ৰাখিলে।"

"হে প্ৰিয় লৰাবিলাক, ভালেমান পুৰুষাৰ্থ কৰি তোমালোকৰ উপকাৰৰ নিমিত্তে আমি এই পুথি প্ৰস্তুত কৰিলোঁ।"

পাদুৰীসকলৰ অসমীয়া গদ্যত ইংৰাজী ভাষাৰ প্ৰভাৱ স্পষ্ট ৰূপত দেখা পোৱাৰ দৰে আনন্দৰামৰ গদ্যতো এই প্ৰভাৱ দেখা পোৱা যায়। খুব সম্ভৱ ইংৰাজী পুথিৰ গভীৰ অধ্যয়ন থকাৰ বাবে আনন্দৰামৰ গদ্যত ইংৰাজী বাক্যগঠন ৰীতিৰ প্ৰভাৱ পৰিছিল। ইংৰাজী বাক্যত আৰু শব্দেৰে বাক্য আৰম্ভ কৰা ৰীতি আনন্দৰামেও নিজৰ গদ্যত ব্যৱহাৰ কৰিছে আৰু অন্য ৰূপে চোৱা বা দেখা শব্দ বাক্যৰ আদিত প্ৰয়োগ কৰি বাক্য আৰম্ভ কৰিছে। উদাহৰণস্বৰূপে—

"দেখা প্ৰথমতে এই জগতত বিদ্যাৰ সমান আমাৰ মিত্ৰ নাই, কিয়নো তাক জানিলে আমি গিয়ান পাওঁ..."

আনন্দৰামৰ অধিকাংশ গদ্যৰে বাক্যবোৰ দীঘলীয়া যদিও প্ৰয়োজন সাপেক্ষে তেওঁ চুটি আৰু মধ্যমীয়া আকাৰৰ বাক্যও ৰচনা কৰিছে। তলত চুটি, মধ্যমীয়া আৰু দীঘলীয়া বাক্যৰ উদাহৰণ একাদিক্ৰমে আগবঢ়োৱা হ'ল—

"কাশীৰ ৰজা কাশী নগৰৰ ২।।ঙ্ক ক্ৰোশ আঁতৰত গঙ্গাৰ সিপাৰে ৰাম নগৰত থাকে।"

"কুঁৱৰিয়ে তাইক কলে বোলে পুৰোহিতক আনা, তাতে তাই সেই আজ্ঞা পালিবলৈ গলত তেওঁ সেই ডেকা মানুহক বৰ আদৰকৈ কলে বোলে ময় তোমাৰ ভাৰ্য্যা হলে সন্তোষ পোৱা নে?"

"সেই পঢ়াশালিৰ অধ্যক্ষে সেই ছাত্ৰে ধৰ্ম্মলৈ এনে কৰিচে হেন ভাবি তাক ভালেমান তিৰস্কাৰ কৰি তাৰ সেই প্ৰতিজ্ঞা ভাঙ্গিবলৈ ইচ্ছা কৰিলে, কিন্তু তেওঁৰ তিৰস্কাৰত একো গুণ নধৰিব দেখি এদিন তাক মতাই নিয়াই কলে বোলে পঢ়াশালিৰ ৰীতিয়েৰে নচলা বৰ বিষম, আৰু তয়নো কিয় এনেকৈ খা তাক ক; কিন্তু তেওঁ সেই লৰাই একো কথা নেভাঙ্গিলত অধ্যক্ষে তাক পঢ়াশালিৰ পৰা মাক বাপেকৰ তলৈ খেদি পঠাম বুলিলত সি ভয় পাই কলে বোলে হে দেও, মোৰ বোপাইৰ ঘৰত এফেৰামান কলা ৰুটিত বাজে আন একো খাবলৈ পোৱা নাচিলোঁ কিন্তু ইয়াত ময় ভাল জোল আৰু চিকন বগা ৰুটি

খাবলৈ পাওঁ আৰু ইচ্ছা কৰিলে ভালকৈ খাবলৈ পাৰোঁ কিন্তু মোৰ পিতৃ যি অৱস্থাত আছে তাৰ কথা মনত পৰি ময় একোকে খাব নোৱাৰোঁ।"

ইংৰাজী ভাষাৰ প্ৰভাৱতেই হয়তো আনন্দৰামৰ গদ্যত সৰল বাক্যতকৈ যৌগিক আৰু জটিল বাক্যৰ প্ৰাধান্য দেখা পোৱা যায়। তলত আনন্দৰামৰ গদ্যত থকা তিনিও প্ৰকাৰ বাক্যৰ উদাহৰণ আগবঢ়োৱা হ'ল—

সৰল বাক্যঃ নাৰায়ণী নামেৰে এজনি চোৱালি আচিল

যৌগিক বাক্যঃ গোলাপ ফুল অতি সুন্দৰ হয় কিন্তু তাতকৈও সুন্দৰ আছে; যি গোলাপক স্ৰজিলে তেওঁ তাতকৈও সুন্দৰ, তেওঁ প্ৰেম স্ৱৰূপ আৰু সকলোৰে চিত্ত হৰ্ষ কাৰক।

জটিল বাক্যঃ যিটো অধ্যাপকে ছাত্ৰে দোষ কৰিলে তাক চেকনিৰে নোকোবাই সেই অধ্যাপকৰ প্ৰতি ছাত্ৰেই চেকনি লব।

আনন্দৰামৰ গদ্যত তৎসম, তদ্ভৱ, অৰ্ধ তৎসম শব্দৰ উপৰিও দেশী-বিদেশী-হিন্দী-বঙলা আদি সকলো প্ৰকাৰ শব্দৰ সমাহাৰ ঘটিছে যিয়ে গদ্যৰ সৌষ্ঠৱ দুগুণে চৰোৱাৰ লগতে অসমীয়া ভাষাকো সমৃদ্ধ কৰিছে। তলত আনন্দৰামৰ গদ্যত থকা বিভিন্ন শ্ৰেণীৰ শব্দৰ দৃষ্টান্ত দাঙি ধৰা হ'ল—

তৎসম শব্দঃ পুষ্প, জ্ঞান, কৰ্ম্ম, স্বৰ্গ, সূৰ্য্য, অলঙ্কাৰ, মনুষ্য আদি।

অৰ্ধ তৎসম শব্দঃ ৱৰণ, গিয়ান, মৰম, সবদ, ৰতন আদি।

তদ্ভৱ শব্দঃ ভোক, ফুল, মানুহ, তিৰোতা, লুইত, জুই আদি।

দেশী শব্দঃ আপাহত, ধেমালি, জগৰ, আইটী, আদখিনি আদি।

হিন্দী শব্দঃ লাথি, চাউনি, কেৰেয়া আদি।

ইংৰাজী শব্দঃ জজ, ডাইৰেক্টৰ, ৰেবিনিউ, কোম্পানি আদি।

আৰবী শব্দঃ নৱাব, আদালত, দলিচা, জহৰ, কবৰ আদি।

অনুজ্ঞাসূচক, প্ৰশ্নবোধক, সন্দেহাত্মক, উপদেশমূলক আৰু ভাবাৱেগসূচক বাক্যৰে সমৃদ্ধ আনন্দৰামৰ গদ্য ৰসাশ্ৰয়ী, চিন্তাশীল আৰু বিবৃতিমূলক বৈশিষ্ট্যৰে সুসমৃদ্ধ। একেদৰে তেওঁৰ গদ্যত বিচাৰি পোৱা যায় ব্যাখ্যা আৰু বিশে¡ষণ। ভাষাৰ সাৱলীল প্ৰয়োগে তেওঁৰ গদ্যক কৰি তোলে আকৰ্ষণীয় আৰু ৰসসমৃদ্ধ। তেওঁৰ বিখ্যাত ইংলণ্ডৰ বিৱৰণ নামৰ প্ৰবন্ধটোৰ মাজেৰেই তেওঁৰ গদ্যৰ সকলো বৈশিষ্ট্যৰাজিৰ উমান পাব পাৰি। তলত ইংলণ্ডৰ বিৱৰণৰ এছোৱা মন্থনৰ বাবে উদ্ধৃত কৰা হ'ল—

"জি সময়ত অসম হাবি গুচি, ফুল বাৰি হব, নৈত ডোঙ্গা গুচি, জাহাজ হব, ঘৰ বাঁহৰ গুচি, সিল ইটাৰ হব, গাঁৱে গাঁৱে হেজাৰে হেজাৰে পহাঁ সালি, গিয়ানৰ সভা, চিকিতসালই, দুখিয়া দৰিদ্ৰ পৰিত্ৰানৰ আলই হব, আৰু জি কালত লোক সকলে পৰস্পৰ হিংসা ন কৰি, আটাইয়ে আটাইক ভাত্ৰিবত্ চেনেহ কৰিব, কেৱে দুটকা কানিৰ সলনি মিচা সাখি নি দি, লাখ টকাকো কাতি কৰি থব, কোটি টকা ভেঁটি পাই ও কাৰো অন্যায় ন কৰিব, বেস্যা, কানি আৰু সুৰা এই কথা দেসত লোকে ভু নো পোআ হব, সেই সমই, হে পৰম পিতা জগদিস্বৰ, সিঘ্রে ঘটোআ।"

এইদৰে আনন্দৰাম ঢেকিয়াল ফুকনৰ হাতত আধুনিক অসমীয়া গদ্য ৰচনাৰ প্ৰকৃত শৈলীয়ে গতি লাভ কৰিছিল, যি পৰৱৰ্তী সময়ৰ গদ্যকাৰসকলৰ হাতত নিমজ, নিটোল আৰু পৰিশোধিত হৈ আজিৰ স্বৰূপ লাভ কৰিবলৈ সক্ষম হৈছিল।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ : অৰুণোদই যুগৰ গদ্যত সৃষ্টি কৰা নতুন শব্দৰ দুটা উদাহৰণ লিখা।

.....

প্রশ্ন নং ১০: 'অসমীয়া লৰাৰ মিত্র' গ্রন্থখনৰ ৰচক কোন?

.....

১৩.৪.২ অৰুণোদই কালৰ গদ্যৰ বৈশিষ্ট্য

আনন্দৰাম ঢেকিয়াল ফুকনে যি গদ্যৰ নিদর্শন দাঙি ধৰিছিল সেই গদ্যত সুপ্ত হৈ থকা আধুনিক অসমীয়া গদ্যৰ কিশলয় স্বৰূপটোক পূর্ণ পত্রলৈ বিকশাই তুলি সেউজ কৰি তুলিলে অৰুণোদইৰ শেষ স্তৰৰ দুজন স্বনামধন্য সাহিত্যিকে। সেই দুগৰাকী অসম প্রাণ সাহিত্যিক হ'ল- গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্র বৰুৱা। এই দুজনা গদ্যকাৰৰ ৰচনাৰ মাজেৰেহেঅসমীয়া গদ্যই প্রকৃততে পৰিপূর্ণতা লাভ কৰে। আধুনিক অসমীয়া গদ্যৰ ক্রমবিকাশৰ ইতিহাসত এই দুজনা গদ্যকাৰৰ গদ্যৰ বিশেষত্ব আলোচনা নকৰিলে সি অসম্পূর্ণ হৈ ৰ'ব।

গুণাভিৰাম বৰুৱাঃ অষ্টাদশ শতিকাৰ ইংৰাজী গদ্যত ৰচনাৰ তিনিটা ৰীতি বিচাৰি পোৱা যায়। এই তিনি ৰীতি হ'ল— সৰল, মধ্যগ আৰু অলঙ্কৃত। এই তিনিও ৰীতিৰ ভিতৰত মধ্যগ ৰীতিকেই সমালোচকসকলে শ্রেষ্ঠতাৰ মর্যাদা দিয়ে কিয়নো এই ৰীতিত ৰচিত গদ্য সৰল, যথাযথ আৰু সুসঙ্গত হয়। এই প্রসঙ্গত অসমীয়া গদ্য-সাহিত্যৰ গতি-পথ পুথিৰ প্রণেতা হৰিনাথ শর্মাদলৈয়ে উল্লেখ কৰিছে যে "এডিছনৰ গদ্য যে এই ৰীতিৰ অন্তর্গত আছিল এই কথা জন্‌ছনে কৈ গৈছে। হেমচন্দ্র বৰুৱা (কোৱাভাতুৰীত বাহিৰে) আৰু গুণাভিৰাম বৰুৱাৰ প্রায়বোৰ ৰচনাই আতিশয্যবিহীন, যথার্থ আৰু বহু পৰিমাণে সুবিন্যস্ত। সেয়েহে, তেওঁলোকৰ ৰচনা-বিশেষৰ মাজত উক্ত ধৰণৰ মধ্যগ ষ্টাইল লক্ষ্য কৰা যায়।" গুণাভিৰামৰ যথাযথ, সহজ-সৰল আৰু সুসংহত গদ্যৰ মাজেৰেেই অসমীয়া গদ্যই আধুনিকতাৰ প্রথম সাজ পৰিধান কৰিছিল বুলি ক'ব পাৰি।

গুণাভিৰামৰ গদ্যত তৎসম, তদ্ভৱ আৰু অর্ধ তৎসম শব্দৰ প্রয়োগ দেখা পোৱা যায় যদিও তৎসম শব্দৰ বহুল প্রয়োগ তেওঁৰ গদ্যত অন্যতম বৈশিষ্ট্য। প্রয়োজন সাপেক্ষে তেওঁ নিজৰ গদ্যত ইংৰাজী, আৰবী-ফার্চী শব্দবোৰ সঘন প্রয়োগ কৰিছিল। তেনে কিছুমান শব্দ হ'ল—

তৎসম শব্দঃ অন্তৰাপত্য, আষাঢ়, সংস্কাৰ, সূর্য্য, কার্য্য আদি।
ইংৰাজীঃ এজেণ্ট, গবর্ণমেণ্ট, এছিষ্টেণ্ট কমিছনাৰ, ৰিপোর্ট আদি।
আৰবী-ফার্চীঃ চিৰস্তাদাৰ, আৰজী, দৰখাস্ত, মুচাৰিদা, মোকর্দমা আদি।

গুণাভিৰামৰ গদ্যত ৰ ৰঠাইত য় আৰু ই-ৰ ঠাইত য়-ৰ প্রয়োগ হোৱা দেখা পোৱা যায়। কেতিয়াবা উ-ৰ ঠাইত ও আৰু য়-ৰ ঠাইত এ প্রয়োগ হোৱা উদাহৰণো পোৱা যায়। যেনে—

ছোৱালী চোয়ালী
খোৱা খোয়া

মই ময়
তই তয়
দুখোজ দোখোজ
জীয়েক জীএক আদি।

গুণাভিৰামে নিজৰ গদ্যত নির্দিষ্টতাবাচক প্রত্যয় -খন-ৰ ঠাইত -খান ব্যৱহাৰ কৰিছে। যেনে— এখান নকল, সেইখান আদি। আকৌ ক্ষুদ্রার্থত -খানি প্রত্যয়ৰ প্রয়োগ কৰিছে। যেনে— এখানি পুস্তক আদি।

গুণাভিৰামৰ গদ্যৰ এটি মন কৰিবলগীয়া দিশ হ'ল— উৰু প্রত্যয়ৰ প্রয়োগ। তেওঁৰ সমসাময়িক কোনো গদ্যকাৰেই বহুবচন বুজাবলৈ -উৰু প্রত্যয়ৰ ব্যৱহাৰ কৰা নাই। যেনে—

সখীসকল সখী উৰু
আইহঁত আই উৰু
মোমাইহঁত মোমাই উৰু

গুণাভিৰামৰ গদ্যত অসমীয়া জটুৱা ঠাঁচ, প্রবাদ-প্রবচন, খণ্ডবাক্য আদিৰ বহুল প্রয়োগ আছিল। যিবোৰে তেওঁৰ গদ্যক নিভাঁজ অসমীয়া স্বৰূপ দিয়াত সহায় কৰিছিল। উদাহৰণস্বৰূপে—

"পচোৱা বতাহে দুয়াৰ মেলে, বৰলাত গাত দায়।"

"সাপেহে সাপৰ ভৰি দেখে।"

"নোয়াই তোলনী হবৰ পিছে বেলি নোয়াৰা হবৰে পেৰা বৰকৈ গা যায়।"

অৱশ্যে মাজে মাজে তেওঁৰ গদ্যত বঙলা ভাষাৰ প্রভাৱো বিদ্যমান। যেনে—

"তাইৰ হাত আৰু ভৰিত পদ্মফুলৰ চিন থকা এবং খোজ দিলে ভৰিত মাটি নলগা প্রবাদ আছিল।"

গুণাভিৰামৰ গদ্যত কামৰূপী কথিত ৰূপৰ ব্যৱহাৰ মন কৰিবলগীয়া দিশ। অতি সুন্দৰ ৰূপত তেওঁ কামৰূপীয়া ঠাঁচ আৰু শব্দৰ প্রয়োগ নিজৰ গদ্যত কৰিছে। উদাহৰণস্বৰূপে—

"আগে-আহামৰ দিনত ভাল মানুহ ফুকান বঢ়ুয়া গঁহাঁই সকালৰ গোলাম বান্ধা ভকাত আছিল। পাছে সিগলা ইংৰাজৰ দিনত গুছিল। আবাৰ ডাঙ্গাৰ লোক সকলে নিজে এখান বন কৰি খাবা লাগা পালেতিত পৰ্ছি। পাছে সেই সকালে আপানি বনো কৰ্বা নৰেই ধনো নাই বড় দুঃখত পড়িছি।"

আগতেই উল্লেখ কৰা হৈছে যে গুণাভিৰামৰ গদ্যত মধ্যগ ৰীতি দেখা পোৱা যায়। অর্থাৎ তেওঁৰ গদ্য সহজ-সৰল, সুসংহত আৰু যথাযথ। তলত তেওঁৰ সহজ-সৰল, যথাযথ আৰু সুসংহত গদ্যৰ নমুনা পৰিচয়ৰ বাবে সংলগ্ন কৰা হৈছে—

"এই অসম দেশ আমাৰ মাতৃভূমি। ইয়াতেই আমি উপজিছোঁ। ইয়াতেই শিক্ষা পাইছোঁ। এই দেশৰ নামেই আমি সংসাৰ হাটত বিকা হই আছোঁ। জননী যেনে আদৰনীয়া আৰু পূজনীয়া এই আমাৰ জন্ম ভূমিও আমাৰ পক্ষে তেনে মৰম আৰু সেৱাৰ থলী। যাক যি ভাল পায় তাক সি বড়কৈ সলাগে; সেই সলাগিব লয়িা বস্তুৰ যিমান কি দূর্বলতা থাওঁক, যিমান কি আসোৱাহ থাওক সেই বোৰ সেই জনে নেদেখে। এনে ভাৰ দুর্বল স্বার্থপৰ হলেও ই অতি মনোৰম। ইয়াত প্রীতিৰ উচ্ছ আদর্শ পোৱা যায়। অনেকে ইয়াক অন্ধ প্রেম বুলিব পাৰে। বোলে বোলক।"

গুণাভিৰামৰ গদ্যত বিষয়বস্তুৰ গভীৰতা, প্রকাশভঙ্গীৰ প্রাঞ্জলতা আৰু ভাবৰ সংযম বিচাৰি পোৱা যায়। সহজ-সৰল বাক্যৰে সমাহিত তেওঁৰ গদ্যৰ অন্যতম বৈশিষ্ট্য হ'ল আবেগিকতা। গুণাভিৰামৰ অতি অনুভূতিশীল গদ্যৰাজিৰ মাজে মাজে কেতিয়াবা বিচাৰি পোৱা যায় মৃদু হাস্যৰস। যেনে—

যদুঃ নিচেই সঁচা। দেউ, বাগিচা বোলাৰ কাৰোণ বা কি?

অধ্যাপকঃ বাগিৰে চায় দেখি বাগিচা বোলে।

যদুঃ হয়, হয়, ভাল অর্থ ভেদ কৰিছে দেউ/ –এৰা আমাৰ ঘৰৰ ওচৰৰ কেল্‌মেল্ চাহাবে নিতৌ বাগিত উঠি চাহনীৰ মাজে মাজে কিবা চাই ফুৰে। বাৰু, দেউ, দেৰেকা বা বোলে কি অর্থত?

অধ্যাপকঃ পাঁচনী, তুমি অশুধকৈ মাতাঁ হে/ দেৰেকা নহয়, দাৰোগা। দাৰোগাৰ সন্ধি ভাঙ্গিলে এনে হয়; যেনে– দাৰি গা; অর্থাৎ দাৰি আৰু গা উভয়ে পৈনত। নেদেখিছা, দাৰোগাবিলাক কেনেকুৰা দাৰিয়েলা আৰু গাৰাল।

এইদৰে গুণাভিৰামৰ গদ্য ৰচনাই অসমীয়া গদ্যক বহু দূৰলৈ পূর্ণতা প্রদান কৰি পিছৰ গদ্যকাৰসকলক আধুনিক অসমীয়া গদ্যৰ ভেটি নির্মাণ কৰি দিয়ে আৰু গদ্য সৃষ্টিৰ প্রেৰণাৰ উৎস ৰূপে পৰৱর্তী সাহিত্যিকসকলক উৎসাহিত কৰি অসমীয়া ভাষা-সাহিত্য সুস্থ সবল কৰি তোলে।

হেমচন্দ্র বৰুৱাঃ প্রকৃতপক্ষে অসমীয়া বর্ণবিন্যাসক এটা সুস্থিৰ, নিটোল আৰু ভৱিষ্যত-মুখী ৰূপ দি আধুনিক অসমীয়া গদ্যৰ পকী বাটটো হেমচন্দ্র বৰুৱাইহে সাজি উলিয়াইছিল। আনন্দৰাম ঢেকিয়াল ফুকনৰ সময়ত অসমীয়া গদ্য সন্দর্ভত যি অস্থিৰতাই বিৰাজ কৰিছিল সেই অস্থিৰতা হেমচন্দ্র বৰুৱাই ৰচনা কৰা ব্যাকৰণ আৰু অভিধানৰ মাজেৰেহে একপ্রকাৰ দূৰ হ'ল বুলি ক'ব পাৰি। অৰুণোদই আৰু মিছনেৰীসকলৰ হাতত হেৰাই যাব খোজা অসমীয়া গদ্যৰ প্রকৃত স্বৰূপটো যেন হেমচন্দ্রইহে উদ্ধাৰ কৰি নতুন প্রাণৰ সঞ্চাৰ কৰিলে। অসমীয়া ভাষাৰ বর্ণবিন্যাস ভাষাটোৰ মূল অনুযায়ী লিখাৰ পৰম্পৰা হেমচন্দ্রৰ যতনতহে আধুনিক অসমীয়াত ৰক্ষা পৰে বুলি অভিমত কৰিব পাৰি। হেমচন্দ্র বৰুৱাই নিজেও উল্লেখ কৰিছে যে অসমীয়া শব্দবিলাকৰ মূলবিলাক যি আখৰেৰে যায় উচ্ছাৰণ লৰ চৰ নকৰাকৈ পৰা যায় মানে অসমীয়াত সেই আখৰ ৰাখিব লাগে।

হেমচন্দ্র বৰুৱাৰ ৰচনাৰ সংখ্যা সীমিত যদিও সেই সীমিত সংখ্যক ৰচনাৰ মাজেৰেই তেওঁ যুগজয়ী অৱদান আগবঢ়াই থৈ গৈছে। তেওঁৰ গদ্যসমূহক দুটা দিশেৰে স্পষ্ট ৰূপত দুভাগ কৰিব পাৰি। য'ত তেওঁ ৰচনা কৰা ব্যাকৰণ, অভিধান আৰু অসম্পূর্ণ আত্মজীৱন চৰিতত গুৰু-গম্ভীৰ, সংযত আৰু বাহুল্যবর্জিত গদ্যই অসমীয়া ভাষা-সাহিত্যক সুষমামণ্ডিত কৰি তুলিছে, আনফালে, বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী বা কানীয়াৰ কীর্ত্তনৰ দৰে ৰচনাত থকা গদ্যই অসমীয়া ভাষাৰ হাস্যমধুৰ ব্যঙ্গাত্মক স্বৰূপটোৰ সামর্থ উদঙাই দিছে। অসমীয়া ভাষাৰ মাধ্যমেৰে যে প্রয়োজন সাপেক্ষে অতি গুৰn- গম্ভীৰ যুক্তিপূর্ণ আলোচনা সমাধা কৰিব পাৰি আৰু প্রয়োজনত এই ভাষাৰেই হাঁহিৰ খলকনিও তুলিব পাৰি, অসমীয়া ভাষাৰ এই পৰিপূর্ণ সামর্থতা হেমচন্দ্রই তাহানিতে বিশ্ববাসীক দেখুৱাই দিছিল। হেমচন্দ্রই নিজৰ গদ্যত তৎসম, তদ্ভৱ, অর্ধ তৎসম, কামৰূপী, প্রয়োজন সাপেক্ষে হিন্দী-বঙলা, ইংৰাজী ভাষাৰ শব্দও ব্যৱহাৰ কৰিছিল। লগতে অসমীয়া জটুৰা ঠাঁচ, যোজনা-পটন্তৰৰ সম্যক প্রয়োগ কৰি অসমীয়া ভাষাৰ

সাধু স্বৰূপ এটা ভৱিষ্যত প্ৰজন্মক তৈয়াৰ কৰি দি থৈ গৈছিল। তলত সেইবোৰৰ উদাহৰণ দাঙি ধৰা হ'ল—

তৎসম শব্দঃ	ভার্য্যা, অগ্নি, জন্ম, শাস্ত্র, স্বর্গ আদি।
তদ্ভৱঃ	গিয়ান, শিচ, ছাতৰ, শৰাধ, সাজ আদি।
অর্ধ তৎসমঃ	ধৰম, কৰম, মৰণ, জনম আদি।
কামৰূপী শব্দঃ	পেৰা, ধুলা এখান আদি।
হিন্দী শব্দঃ	ৰূপিয়া, লেকিন, আদমি আদি।
বঙলাঃ	হইতে, হয়েছি, আমৰা আদি।
ইংৰাজীঃ	কালেক্টৰী, চিভিলিয়ান, কমিশ্যন, গৱর্ণৰ আদি।
আৰবী-ফার্চীঃ	উকীল, চিৰস্তাদাৰ, হজুৰ, ইজাহাৰ আদি।

উল্লেখযোগ্য যে কেৱল হাস্যমধুৰ কৰি ব্যঙ্গ-বিদ্রূপ কৰাৰ নিমিত্তেহে হেমচন্দ্রই নিজৰ গদ্যত হিন্দী আৰু বঙলা শব্দৰ প্ৰয়োগ কৰিছিল। একেদৰে হাস্য ব্যঙ্গ সৃষ্টিৰ বাবেই মাজে মাজে অসমীয়া-হিন্দী মিশ্রিত ভাষাও হেমচন্দ্রই ব্যৱহাৰ কৰিছে। যেনে—

"আৰে/ খেৰৰ তলমে নাইপিয়া লুকাই ৰাখ্তা, আদমি লোকক খুন কৰিবলৈ।"

"যদি মিঠৈ খাবাৰ নিমিলে, তব পাঁচ ৰূপিয়ামে এই মাল বেচিব, আৰু বচ্ দোচোৰা মাল কোৰোক কৰিব।"

হেমচন্দ্রৰ গদ্যশৈলীৰ আন এক মনকৰিবলীয়া দিশ হ'ল ইংৰাজী খণ্ডবাক্য, প্ৰবাদ প্ৰবচনৰ অসমীয়ালৈ আক্ষৰিক অনুবাদ। যি অনুবাদে অসমীয়া ভাষাৰ সৌষ্ঠৱ বঢ়োৱাৰ লগতে ভঁৰালো চহকী কৰিছে—

A asleeping fox catches no poultry— শুই থকা শিয়ালে হাঁহ কুকুৰা ধৰিব নোৱাৰে।

Paid debt to the nature স্বভাৱৰ ধাৰৰ পৰা মুক্ত হ'ল।

হেমচন্দ্রৰ ব্যঙ্গাত্মক ৰচনাবোৰত ব্যাজস্তুতি, শেষোক্তি আদিৰ বহুল প্ৰয়োগ বিচাৰি পোৱা যায়। এই অলঙ্কাৰবোৰৰ ব্যৱহাৰে তেওঁৰ ব্যঙ্গ বাণক কৰি তুলিছে তীব্র আৰু তীক্ষ্ণ। উদাহৰণস্বৰূপে—

"কানি, ভাং, মদ, ফটিকা আৰু ধৱাপাত। সকলোৰে মূৰত হউক বজ্রপাত। সেইবোৰ বস্তুত গুৰুজনৰ শাপ আছে। এতেকে ফটিকাৰ কথাকে নকওঁ, সি হিন্দুৰ জাতি-ধৰমৰ বৰ-বিহ; কানি, ভাং আৰু ধূৱাঁপাত এই কেইটা বস্তু, ঘাইকৈ কানি, বেজে অষধ বুলি গৰ্হন নকৰিবা।"

প্ৰশংসাৰ ছলেৰে কৰা নিন্দাই হেমচন্দ্রৰ ব্যঙ্গ গদ্যক অতি তীব্র কৰি তোলে—

"বৰগীতত গোঁসাই-দেউ এনেহে পাৰ্গত, যে তেওঁ পুৱতীয়া নিশা গীত ধৰিলে ওচৰৰ গছ, গছনিও পাত লৰোৱাৰ চলেৰে তাল ধৰে, আৰু কুকুৰ শিয়ালেও প্ৰেমত বাউল হৈ ৰাগ দিয়ে।"

হেমচন্দ্রই নিজৰ গদ্যত প্রযোজন সাপেক্ষে কেতবোৰ উপহাস সূচক শব্দ নিজে তৈয়াৰ কৰিও প্রয়োগ কৰিছে। যেনে— তিৰি-লগীয়া, পলায়ধবং, বোম্বানলে আদি। কেতিয়াবা ক'তো বিচাৰি নোপোৱা উপমাও তেওঁ প্রয়োগ কৰিছে— দামুৰি হেৰুওৱা গাইৰ দৰে বিবশ হৈ চটফটাই আছে, সিদ্ধ পুৰুষ মুখত চুণ দিয়া জোক যেন হৈ গিৰীয়েক মৰা তিৰোতাৰ নিচিনা বেজাৰেৰে ঘৰলৈ গ'ল।

এনে ধৰণৰ ব্যঙ্গাত্মক ৰীতি বিশ্লেষণ কৰিয়েই অসমীয়া সাহিত্যৰ বিশিষ্ট সমালোচক সত্যেন্দ্রনাথ শর্মাই মত দিছে যে নির্মম তীব্র ব্যঙ্গ ৰচনাত হেমচন্দ্রক পৰৱর্তী কোনো লেখকে অতিক্রম কৰি যাব পৰা নাই।

আনহাতে, হেমচন্দ্র বৰুৱাৰ গম্ভীৰ গদ্যত চিন্তাৰ বিশুদ্ধতা আৰু ভাবৰ পৰিপূর্ণতা বিচাৰি পোৱা যায়। অতি ঘৰুৱা ভাষাৰেও তেওঁৰ গদ্যই পাঠকক আকর্ষণ কৰাত সক্ষম। ভাববস্তুৰ সহজ-সৰল গতি আৰু প্রাঞ্জলতা তেওঁৰ গদ্যৰ অন্যতম বৈশিষ্ট্য। তলত উদ্ধৃত ছেদটোৱে কাথাষাৰৰ যথার্থতা প্রতিপন্ন কৰিব—

"পূজনীয় বিদ্যাসাগৰে বিধৱা-বিবাহ যে শাস্ত্র-সিদ্ধ ইয়াকে সপ্রমাণ কৰিয়েই মনে মনে নেথাকিল। আপোনাৰ পুতেকেৰে সৈতে বিধৱাৰ বিয়া দিলে। কালৰ সোঁতত তেওঁ উটি গল। কিন্তু তাৰ বালিত তেওঁ যি খোজৰ সাঁচ থৈ গৈছে, সি চিৰ কাললৈ থাকিব, লুপ্ত নহয়; সেই খোজৰ পাচত চলোঁতা মানুহ আমাৰ দেশত ওলাব কেতিয়া। প্রতিধবনিয়ে সুধিছে, কেতিয়া?"

হেমচন্দ্রৰ গদ্যত অসমীয়া ভাষাৰ নিভাজ নিটোল ৰূপটোৱে প্রাণ পাই উঠিছিল যদিও মাজে সময়ে তেওঁৰ গদ্যত ইংৰাজী বাক্য ৰীতিৰ প্রভাৱ নপৰাকৈ থকা নাছিল। অৱশ্যে ইংৰাজী ভাষাৰ জ্ঞান, সমসাময়িক পৰিৱেশ আৰু ইংৰাজীৰ ব্যৱহাৰে এই ক্ষেত্রত পৰোক্ষভাৱে ক্রিয়া কৰিছিল বুলি অনুমান কৰিব পাৰি। ইংৰাজী ভাষাৰ প্রভাৱৰ উদাহৰণ তলত উল্লেখ কৰা হ'ল—

"কোৱখনীয়া সত্রৰ গোবদ্ধর্ন-দেউ আতা পৰম বৈষ্ণৱ, কংসৰজাৰ চন্দন-যোগাঁতী কুঁজী বাইৰ বংশত জাত, সাক্ষাত গুৰু জনৰ পৰা পৰমার্থৰ ভাগ পোৱা গোপীনাথ-দেউ আতাৰ পৰি-নাতী। ঘোষা, কীর্ত্তন, ৰত্নাৱলী এই তিনি খানি শাস্ত্র প্রভুৰ ওষ্ঠাগ্র, ইয়াত বাজে গুণমালা, ভটিমা, চপয়, টোটয়, এইবিলাক হলে মুখে আখৈ ফুটাদি ফুটে।"

তেওঁৰ গদ্যত অসমীয়া কথিত ৰূপৰো ব্যৱহাৰ দেখা পোৱা যায়। যেনে—

"বাহিৰত মালা জপে ধৰমী দেখাই।"

"তেওঁ মোৰ ভাইগৰ গুণে আপুনি ধূলা পেলাবলৈ আহিছে।"

হেমচন্দ্রৰ গদ্যশৈলী সংযত, যুক্তিপূর্ণ, সুবিন্যস্ত আৰু যথাযথ। গদ্যত ভাৱৰ স্পষ্টতা আৰু ভাষাৰ সৰলতা সহজে লক্ষণীয়। সেয়েহে গুণাভিৰামৰ গদ্যৰ দৰে হেমচন্দ্রৰ গদ্যতো অষ্টাদশ শতিকাৰ মধ্যগ ৰীতিৰ স্থিতি বিচাৰি পোৱা যায়। ব্যঙ্গহীন গদ্যবোৰৰ গহীন ভঙ্গীমা যেন চিৰ অনুকৰণীয়। উদহৰণ স্বৰূপে–

"ইয়াৰ দ্বাৰা দেখা যায় যে ভার্য্যা আৰু স্বামীৰ একে দেহ, একে প্রাণ, দুইৰ ভিতৰত একো প্রভেদ নাই। এনে স্থলত যেতিয়া পুৰুষে ভার্য্যা মৰি গলে, অর্থাৎ তেওঁৰ শৰীৰৰ এভাগ নষ্ট হলে তাক পূৰাই লব পাৰে, তিৰোতা সেই স্বত্বৰ পৰা বঞ্চিত হ'ল কিয়? বিধৱা বিবাহৰ বিৰোধীবিলাকে ইয়াৰ কি উত্তৰ দিব? অৱশ্যে তেওঁলোকে কব যে বিধৱা-বিবাহ শাস্ত্রৰ নিষিদ্ধ; তিন্তু তেনে কথা কবৰ এতিয়া সময় নহয়, সেই আপত্তি অনেক দিনৰ আগেয়ে খণ্ডিত হে গৈছে।"

এনে ধৰণৰ সুন্দৰ সুষমা আৰু আকর্ষণীয় গদ্য ৰচনাৰে হেমচন্দ্র বুৰৱাই অসমীয়া গদ্যক সুজলা সুফলা আৰু ৱৰেণ্য কৰি তুলিছিল। যদিও আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰ মাজতেই অসমীয়া গদ্যৰ আধুনিক স্বৰূপটোৱে গা কৰিছিল, সেই ৰূপ তেজাল মঙহ আৰু তেজেৰে জীপাল হৈ উঠিছিল হেমচন্দ্রৰ

গদ্যৰ মাজেৰেহে। হেম বৰুৱাই উচিত মন্তব্য কৰিছে যে তেওঁৰ গদ্যশৈলীৰ সাৱলীলতা আৰু ক্রিয়াশীলতাই আধুনিক অসমীয়া গদ্য ৰীতিক বৈচিত্র্যপূর্ণ, ঐশ্বর্য্যশালী কৰি তুলিলে। আকৌ সত্যেন্দ্রনাথ শর্মাই সঠিক বিশ্লেষণেৰে মত দিছে যে মিছনেৰীসকলৰ শিথিল আখৰ-জোঁটনি আৰু অসমীয়া কথিত গদ্য ৰীতিত নিহিত থকা ত্রুটিবোৰ আঁতৰ কৰি হেমচন্দ্র বৰুৱাই অসমীয়া গদ্যক এটি স্থিৰ ৰূপ দি স্থায়ী ভেটিত প্রতিষ্ঠা কৰে।

এইদৰে প্রাক্-অৰুণোদই স্তৰৰ পৰা আৰম্ভ কৰি আধুনিক অসমীয়া ভাষা-সাহিত্য প্রতিষ্ঠাৰ স্তৰত আধুনিক অসমীয়া গদ্যই হেমচন্দ্র-গুণাভিৰামৰ হাতত পূর্ণতা লাভ কৰি এক ধাৰাৰ সৃষ্টি কৰিবলৈ সক্ষম হয়। পৰৱর্তী সময়ত এই ধাৰাক অধিক সুপেণত আৰু বিস্তৃত ৰূপ দিয়ে লম্বোদৰ বৰা, ৰত্নেশ্বৰ মহন্ত, সত্যনাথ বৰা, কমলাকান্ত ভট্টাচার্যকে আদি কৰি বিশিষ্ট গদ্যকাৰসকলে।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১১: গুণাভিৰাম বৰুৱাৰ গদ্যৰ প্রধান বৈশিষ্ট্য কি আছিল?

.....

প্রশ্ন নং ১২: গুণাভিৰাম বৰুৱাই গদ্যত কোন বিশেষ বহুবচন প্রত্যয় ব্যৱহাৰ কৰিছিল?

.....

2 ১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অৰুণোদই প্রকাশৰ পূর্বে অসমীয়া গদ্যৰ বিভিন্ন ধাৰা, যেনে বুৰঞ্জী গদ্য, চৰিতপুথিৰ গদ্য, মিছনেৰী গদ্য আৰু বাংলা-অসমীয়া মিশ্রিত গদ্যৰ প্রচলন আছিল। এই ধাৰাসমূহেই পৰৱর্তী সময়ত আধুনিক অসমীয়া গদ্যৰ ভেটি স্থাপন কৰিছিল।
- মোৱামৰীয়া বিদ্রোহ, মানৰ আক্রমণ আৰু বৃটিছ শাসনৰ ফলত অসমৰ সামাজিক আৰু সাংস্কৃতিক জীৱনত গভীৰ প্রভাৱ পৰিছিল। অসমীয়া ভাষাৰ ওপৰত বাংলা ভাষা জাপি দিয়াৰ ফলত ভাষাটোৱে সংকটৰ সম্মুখীন হৈছিল যদিও মিছনেৰীসকল আৰু শিক্ষিত অসমীয়াসকলৰ প্রচেষ্টাত পুনৰ নিজৰ মর্যাদা লাভ কৰিছিল।
- ১৮৪৬ চনত প্রকাশিত *অৰুণোদই* আলোচনীয়ে অসমীয়া ভাষা আৰু সাহিত্যলৈ নতুন যুগৰ সূচনা কৰিছিল। ইয়াৰ জৰিয়তে বিজ্ঞান, ইতিহাস, সমাজ-সংস্কাৰ, শিক্ষা আৰু সমসাময়িক জ্ঞানমূলক বিষয়সমূহ অসমীয়া ভাষাত প্রকাশ পাবলৈ আৰম্ভ কৰিছিল।
- আত্মাৰাম শর্মা, মণিৰাম বৰভাণ্ডাৰ বৰুৱা, কাশীনাথ তামুলী ফুকন, হৰকান্ত শর্মা মজিন্দাৰ বৰুৱা, নাথান ব্রাউন, মাইলছ ব্রঙ্সন আদি সাহিত্যিকসকলে অসমীয়া গদ্যক সৰল, প্রাঞ্জল আৰু আধুনিক ৰূপ প্রদান কৰিছিল।

- অৰুণোদই যুগৰ গদ্যত সৰল বাক্য, কথ্যভাষাৰ প্ৰয়োগ, নতুন শব্দৰ সৃষ্টি, দেশী-বিদেশী শব্দৰ ব্যৱহাৰ আৰু বৰ্ণনাধৰ্মী শৈলী লক্ষ্য কৰা যায়। এই বৈশিষ্ট্যসমূহে আধুনিক অসমীয়া গদ্যৰ বিকাশত বিশেষ ভূমিকা পালন কৰিছিল।
- আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱাৰ হাতত অসমীয়া গদ্যই অধিক পৰিপক্কতা লাভ কৰিছিল। তেওঁলোকৰ সাহিত্যসাধনাই অসমীয়া ভাষা-সাহিত্যক আধুনিক যুগলৈ আগবঢ়াই নিয়াত উল্লেখযোগ্য অৱদান আগবঢ়াইছিল।

১৩.৬ অধিক জানিবলৈ

কটকী, প্ৰফুল্ল (১৯৯৯); *ক্ৰমবিকাশত অসমীয়া কথা শৈলী*; গুৱাহাটীঃ বীণা লাইব্ৰেৰী।

কোঁৱৰ, অপৰ্ণা (২০১০); *প্ৰাচীন অসমীয়া গদ্যশৈলী*; গুৱাহাটীঃ বনলতা।

গগৈ, লীলা (১৯৯০); *আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়*; ডিব্ৰুগড়ঃ ষ্টুডেণ্টছ এম্পৰিয়াম।

গোস্বামী, গোলোকচন্দ্ৰ (২০১০); *অসমীয়া আখৰজোঁটনিৰ সমীক্ষা*; গুৱাহাটীঃ বীণা লাইব্ৰেৰী।

গোস্বামী, সুৰেন (১৯৯৫); *অসমীয়া গদ্য সাহিত্য*; মিৰ্জাঃ দ্যোনী প্ৰকাশন।

চৌধুৰী, প্ৰসেনজিৎ (১৯৯৫); *অৰুণোদই*; গুৱাহাটীঃ ষ্টুডেণ্টছ ষ্ট'ৰ্ছ।

তালুকদাৰ, নন্দ (১৯৭৫); *সম্বাদ-পত্ৰৰ ৰ'দ কাঁচলিত অসমীয়া সাহিত্য*; গুৱাহাটীঃ বৰুৱা এজেন্সি।

দুৱৰা, সপোন (২০০৪); *ভাষা আৰু শৈলী*; গুৱাহাটীঃ ষ্টুডেণ্টছ ষ্ট'ৰ্ছ।

নেওগ, মহেশ্বৰ (সংক.) (২০০৮); *অৰুণোদই (একত্ৰ সঙ্কলন)*; গুৱাহাটীঃ অসম প্ৰকাশন পৰিষদ।

নেওগ, মহেশ্বৰ (১৯৮৬); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; ডিব্ৰুগড়ঃ বাণী মন্দিৰ।

ফুকন, প্ৰসন্ন কুমাৰ (১৯৯৬); *অসমৰ সম্বাদ-পত্ৰৰ সমীক্ষাত্মক অধ্যয়ন*; দেৰগাঁওঁঃ মধু প্ৰকাশ।

বৰুৱা, পৱন কুমাৰ (সং.) (১৯৯১); *অৰুণোদই আৰু আনন্দৰামৰ গদ্য*; গুৱাহাটীঃ চাৰু প্ৰকাশন।

বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৯৮); *অৰুনোদইৰ ধলফাট*; যোৰহাটঃ অসম সাহিত্য সভা।

ভট্টাচাৰ্য্য, বসন্ত কুমাৰ (১৯৯৩); *সদৰামীনৰ আত্মজীৱনী*; নলবাৰীঃ জাৰ্ণাল এম্পৰিয়াম।

ভৰালী, শৈলেন (১৯৯২); *আধুনিক অসমীয়া সাহিত্যৰ ইতিহাস*; টিহুঃ চন্দ্ৰ প্ৰকাশ।

ভূঞা, যোগেন্দ্ৰ নাৰায়ণ (১৯৯২); *অসমীয়া লৰাৰ মিত্ৰ*; উত্তৰ গুৱাহাটীঃ এবিলেক।

ভূঞা, স্মৃতিৰেখা (২০১৩); *অসমীয়া গদ্যৰীতি*; গুৱাহাটীঃ বৃষ্টি প্ৰকাশন।

শইকীয়া, চন্দ্ৰপ্ৰসাদ (১৯৯৮); *অসমৰ বাতৰিকাকত আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস*; গুৱাহাটীঃ ট্ৰিবিউন প্ৰেছ।

শৰ্মা, বাণীকান্ত (১৯৮১); *অসমীয়া ভাষা-সাহিত্যলৈ মিছনেৰীসকলৰ অৱদান*; যোৰহাটঃ অসম সাহিত্য সভা।

শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৪); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটীঃ প্ৰতিমা দেৱী।

শৰ্মা দলৈ, হৰিনাথ (১৯৯২); *অসমীয়া গদ্য সাহিত্যৰ গতিপথ*; বৰপেটাঃ পদ্মপ্ৰিয়া লাইব্ৰেৰী।

১৩.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ : অৰুণোদই প্ৰকাশ পোৱাৰ পূৰ্বে অসমীয়া গদ্যক সাধাৰণতে পাঁচটা মুখ্য ধাৰাত বিভক্ত কৰা হৈছিল। এই ধাৰাসমূহে অসমীয়া গদ্যৰ ক্ৰমবিকাশৰ ইতিহাস বুজিবলৈ বিশেষ সহায় কৰে।

২ নং প্ৰশ্নৰ উত্তৰ : মিছনেৰীসকলে অসমীয়াত ধৰ্মীয় আৰু শিক্ষামূলক গ্ৰন্থ প্ৰকাশ কৰিছিল, বিদ্যালয় স্থাপন কৰিছিল আৰু অসমীয়া ভাষাক যোগাযোগ আৰু শিক্ষাৰ মাধ্যম হিচাপে প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল। তেওঁলোকৰ প্ৰচেষ্টাই অসমীয়া ভাষাৰ পুনৰুজ্জীৱনত বিশেষ ভূমিকা পালন কৰে।

৩ নং প্ৰশ্নৰ উত্তৰ : 'অৰুণোদই'য়ে বহুদিন ধৰি স্তব্ধ হৈ থকা অসমীয়া সাহিত্যচৰ্চাক পুনৰ সজীৱ কৰি তোলে। ইয়াৰ জৰিয়তে আধুনিক গদ্য, নতুন চিন্তা-চেতনা আৰু সাহিত্যচৰ্চাৰ এক নতুন যুগৰ সূচনা হয়।

৪ নং প্ৰশ্নৰ উত্তৰ : অৰুণোদই যুগৰ সাহিত্যক তিনিটা স্তৰত ভাগ কৰা হয়— ১৮২৬-১৮৪৬ চনলৈ প্ৰাক্-অৰুণোদই স্তৰ, ১৮৪৬-১৮৭৩ চনলৈ অসমীয়া ভাষা পুনঃপ্ৰতিষ্ঠাৰ স্তৰ আৰু ১৮৭৩-১৮৮৯ চনলৈ আধুনিক অসমীয়া ভাষা-সাহিত্য প্ৰতিষ্ঠাৰ স্তৰ।

৫ নং প্ৰশ্নৰ উত্তৰ : এই সময়ছোৱাত সাহিত্যচৰ্চা বিশেষ সক্ৰিয় নাছিল যদিও আধুনিক অসমীয়া গদ্যৰ ভেটি গঢ় লৈ উঠিবলৈ আৰম্ভ কৰিছিল। সেয়েহে প্ৰাক্-অৰুণোদই যুগক আধুনিক অসমীয়া গদ্যৰ প্ৰস্তুতিপৰ্ব বুলি কোৱা হয়।

৬ নং প্ৰশ্নৰ উত্তৰ : ১৮১৩ চনত প্ৰকাশিত 'ধৰ্মপুস্তক'ক প্ৰথম অসমীয়া মুদ্ৰিত গ্ৰন্থ হিচাপে গণ্য কৰা হয়। লগতে এই গ্ৰন্থতেই আধুনিক অসমীয়া গদ্যৰ প্ৰথম নিদৰ্শন পোৱা যায়।

৭ নং প্ৰশ্নৰ উত্তৰ : নাথান ব্ৰাউনে অসমীয়া ব্যাকৰণ ৰচনা কৰিছিল, উচ্চাৰণভিত্তিক বানানৰীতি প্ৰচলন কৰিছিল আৰু বহুতো ধৰ্মীয়, শিক্ষামূলক আৰু জ্ঞানমূলক গ্ৰন্থ ৰচনা বা অনুবাদ কৰিছিল। তেওঁৰ হাততেই অসমীয়া গদ্যৰ মিছনেৰী ধাৰাৰ সুদৃঢ় সূচনা হয়।

৮ নং প্ৰশ্নৰ উত্তৰ : মাইলছ ব্ৰন্সনে অসমীয়া-ইংৰাজী অভিধান প্ৰস্তুত কৰি ভাষা-চৰ্চাত বিশেষ অৱদান আগবঢ়াইছিল। তেওঁ উচ্চাৰণভিত্তিক বানান আৰু সহজ-সৰল ভাষা ব্যৱহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

৯ নং প্ৰশ্নৰ উত্তৰ : 'ধৰমপুথি' আৰু 'ভাপৰ নাও'।

১০ নং প্ৰশ্নৰ উত্তৰ : 'অসমীয়া লৰাৰ মিত্ৰ' গ্ৰন্থখনৰ ৰচক আনন্দৰাম ঢেকিয়াল ফুকন।

১১ নং প্ৰশ্নৰ উত্তৰ : গুণাভিৰাম বৰুৱাৰ গদ্য সহজ, সৰল, সুসংহত আৰু যথাযথ আছিল। তেওঁৰ গদ্যত প্ৰাঞ্জলতা, আবেগিকতা আৰু অসমীয়া জটুৰা ঠাঁচৰ সুন্দৰ ব্যৱহাৰ দেখা যায়।

১২ নং প্ৰশ্নৰ উত্তৰ : গুণাভিৰাম বৰুৱাই বহুবচন বুজাবলৈ '-উৰু' প্ৰত্যয় ব্যৱহাৰ কৰিছিল। যেনে— 'সখী উৰু', 'আই উৰু', 'মোমাই উৰু' আদি।

M ১৩.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ : তলত দিয়া প্রসমূহৰ উত্তৰ লিখক

ক) 'ইয়াণ্ডাবু সন্ধি' কেতিয়া স্বাক্ষৰিত হৈছিল ?

খ) অসমত কেতিয়া বাংলা ভাষা চৰকাৰীভাৱে প্রৱর্তন কৰা হৈছিল ?

গ) 'ধর্মপুস্তক' নামৰ প্রথম অসমীয়া মুদ্রিত গ্রন্থখন কোনে অনুবাদ কৰিছিল ?

ঘ) অসমীয়া ভাষাত প্রকাশিত প্রথম মুদ্রিত বুৰঞ্জী কোনখন ?

ঙ) 'তিনিজন ভাইৰ মিছনেৰী যাত্রা' কোন সাহিত্যিকৰ ৰচনা ?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ : মোৱামৰীয়া বিদ্রোহে অসমৰ সমাজ-জীৱনত কেনে প্রভাৱ পেলাইছিল ?

প্রশ্ন ২ : ১৮৭৪ চনৰ আগলৈ অসমৰ প্রশাসনিক কার্যকলাপ ক'ৰ পৰা পৰিচালিত হৈছিল ?

প্রশ্ন ৩ : 'আসাম-বিলাসিনী', 'আসাম নিউজ' আৰু 'মৌ'—এই আলোচনীসমূহে অসমীয়া সাহিত্যলৈ কি অৱদান আগবঢ়াইছিল ?

প্রশ্ন ৪ : আত্মাৰাম শর্মাৰ গদ্যত বুৰঞ্জী আৰু ভট্টদেৱৰ প্রভাৱ কেনেদৰে প্রকাশ পাইছে ?

প্রশ্ন ৫ : কাশীনাথ তামুলী ফুকনৰ গদ্যত আহোম শব্দৰ ব্যৱহাৰে কি বিশেষত্ব প্রদান কৰিছে ?

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ : বৃটিছ শাসন আৰু মিছনেৰীসকলৰ আগমনে অসমীয়া ভাষা-সাহিত্যত কিদৰে নতুন যুগৰ সূচনা কৰিছিল, আলোচনা কৰা।

প্রশ্ন ২ : প্রাক্-অৰুণোদই যুগৰ অসমীয়া গদ্য সাহিত্যৰ বিকাশত আত্মাৰাম শর্মা, মণিৰাম বৰভাণ্ডাৰ বৰুৱা আৰু কাশীনাথ তামুলী ফুকনৰ অৱদান মূল্যায়ন কৰা।

প্রশ্ন ৩ : নাথান ব্রাউন, মাইলছ ব্রুন, নিধি লিবাই ফাৰোৱেল আৰু এ. কে. গার্নিৰ অসমীয়া গদ্য সাহিত্যলৈ অৱদান আলোচনা কৰা।

প্রশ্ন ৪ : অৰুণোদই যুগত অসমীয়া ভাষাৰ পুনৰুজ্জীৱন আৰু পুনঃপ্রতিষ্ঠাৰ প্রক্রিয়া বিশ্লেষণ কৰা।

প্রশ্ন ৫ : অৰুণোদই যুগক আধুনিক অসমীয়া গদ্যৰ ভেটি স্থাপনৰ যুগ বুলি কিয় কোৱা হয় ? যুক্তিসহ আলোচনা কৰা।
